REFERENCE
(Not for Issue)
...side Library

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

EIGHT SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## WINTER SESSION

## VOL. 1
## NO. 4

The 22nd January, 1970

सत्यमेव जयते

1988

PRINTED AT GUPTA PRINTERS, GUWAHATI-781 006

**Proceedings of the Eighth Session of the Assam Legislative Assembly assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India**

The Assembly met in the Assembly Chamber, Shillong at 10 A.M. on Thursday, the 22nd January 1970.

## PRESENT

Shri Mohi Kanta Das, M.A., B.L., Speaker, in the Chair, Eight Ministers, Five Ministers of State, Three Deputy Ministers and twenty-Five Members.

Adjournment Motion—Murder of Shri Bangshidhar Dutta, Headman and District Organising Secretary, Peoples Democratic Parts, Jorhat Branch,

Shri Kamakhya Prasad Tripathi : Sir,. I have looked into the matter. The facts of this case seem to be like this. There was a murder in the house of Bhogeswar Mura on 12.10.69 and in that connection the gentleman was arrested by the police. Then on 23.11.69 he submitted a petition before the A.D M. under Sec 107 Cr. P.C. against Nagen Datta and eleven others. The A.D.M. endorsed the petition to O/C Jorhat P.S for enquiry and report and accordingly police instituted enquiry. On 17.12.69, Late Datta lodged an ejahar at Jorhat P.S. that a burglary was committed in his house on the previous night and implcating Bipin Datta (brother of Nagen Datta) in the crime. The Police immediately visited the place of occurrence and found Bipin Dutta absent from home. In the same afternoon at about 4.30 P.M. while Bipin Dutta was returning home, he was intercepted by Late Bangshi Dutta was forcibly taken to the Police Station. At this Bipin Datta raised a hullah. On hearing which the wife of Nagen Dutta, the two wives of Bipin Dutta, Jatin Dutta and Keshad Dutta (both sons of Nagen Dutta) immediately rashed

to the place for his rescue. There was violent scuffle in course of which Late Bangshi Dutta sustained Kodali injuries. The injured was removed to the Hospital where he succumbed to the injuries. Inquiries made in this connection did not reveal anything concrete to indicate that there was any political motive or inspiration behind the clash. Now, these are the facts of the case. Later on it seems the hon. member Shri Dulal Chandra Barua filed a petition on 18.12.69 bringing it to the notice of the District Magistrate certain allegation against the police in general and O.C. Jorhat in particular. The A.D.M. Jorhat is holding an enquiry and the report is expected to be submitted by 31.1.70. Now, it is obvious that since the charge sheet has been submitted in this murder case it is sub-judiee So no further discussion would be advisable in this murder case. The allegations filed by Shri Dulal Chandra Barua before the Magistrate were ordered for inquiry. Now, a Magistrate has been asked to enquire into it and I have already said that his report is expected by 31st of this month and that it would not be advisable to go into this matter, now. The problem is this. The incident took place on 17.12.69 at 4.30 P.M. the Police was informed at 6 P.M and the F.I.R. was written at 10.15 P.M. There was a gap of few hours and therefore the enquiry has been entrusted to a Magistrate to find it out.

Now, this O C. has already been transferred. He handed over charge on 23.12 69 to O.C. Shri Ahmed. Sir, this is an ordinary murder. Afterall political murder is also a murder. But there lies in some difference, But even for a political murder if the House is to be adjourned then Sir, in West Bengal where there are murders committed everyday on political grounds, I think it is not possible to run the Assembly at all.

Shri Gaurisankar Bhattacharyya : We have got nothing to do with West Bengal.

Shri Kamakhya Prasad Tripathi : I am giving an example only.

Shri Gaurisankar Bhattacharyya : This is not the forum to discuss whether there in West Bengal there were any political murder or not.

Shri Kamakhya Prasad Tripathi : When we are discussing we have a right to quote those cases as example.

Shri Gaurisankar Bhattacharyya : Why should we bring here those things.

Shri Kamakhya Prasad Tripathi : I by way of example is a sub judice Bengal,

Shri Gaurisankar Bhattacharyya : Whether there is any political murder in West Bengal or not this is not the forum to discuss it.

Shri Kamakhya Prasad Tripathi : Any way we differ on this point that is all.

Shri Gaurisankar Bhattacharyya : In West Bengal there are accusation and counter accusation amongst the ruling party and other parties. One is accusing the other for instigating the people—why we should drag those points here.

Shri Kamakhya Prasad Tripathi—I merely gave an example. That is not my main point. My main point is that there is no evidence whatsoever of any political implication. Sir, as I have said since the chargesheet has been submitted this has become subjudice and I would not launch upon any discussion on the same. This is not a political murder. Obviously there was a feud between the two families. Most of the murders in India take place on account of such feuds. Therefore, to say that it is a matter of urgent public importance, and that the business of the House should be stopped in order to discuss this, I do not think that would be proper to consider the matter in that way at all. I hold that it is an ordinary matter of administration. Therefore, on this point an Adjournment Motion does not lie. The other day I quoted to say how for ordinary administrative matters it is not

necessary that an Adjournment Motion should lie. This is not a matter of urgency nor is it of public importance which should involve the House in an Adjournment Motion. I, therefore, think that on this matter an Adjournment Motion should be allowed. The only point on which the administrative failure has been indicated is this delay in recording the ejahar. On this point, I have already said, that Govt. has ordered an incuiry and that the inquiry is proceeding, and we are expecting the report by the end of this month. Therefore, this is an ordinary failure. This has got nothing to do with the Govt.'s failure in discharging its duty. There are so many lapses and failures in individual cases and immediate action is taken in this connection. That will not affect the case at all. Already the case has been enquired into and charge sheet has been submitted. The individual lapse did not affect the merit of the case. So I submit that th s is an ordinary law and order question being dealt with in the ordinary way, and for this the business of the House should not stand adjourned so that the case may be discussed.

*Shri Dulal Chandra Barua—Mr. Speaker, Sir, the Minister has stated that it is not a murder with any polttical motive. About the report which the Minister has just referred furnished by the District Officers, I want to challenge that is not quite correct. It is surprising how when we are discussing this matter in the House such wrong representation of facts can be furnished by the District Officers. Sir, it is regrettable to say that this report is nothing but a concoction. Therefore, I beg to submit that the report submitted to the Government by the district officers amount to a breach of the privilege. While considering the background of the murder should also be considered. The Minister has himself said that the occurrence took place at about 4.30 P.M. and that the ejahar was recorded at 10-30 P.M. When I got information at 8.45 P.M. I went personally to the Police Station ; but I did not find anyone there. Then I went to S. P., then the A. S. P. and then I rang up the D I G. After that I went to the D. C. Only after I rang up the I. G. P. after one or two hours police went to the place of

*Speech not corrected

occurrence. Therefore, there is every reason to believe that wi)h the connivance of the Govt. Officsrs this murder had been committed. My contention is that Govt. should consider the backgronnd of the case also. If we analyse the background we will find that this is nothing but a murder politically motivated. The place of occurrence is only at a distance of two miles form the Police Station; the occurrence took place at 4-30 P.M. and the ejahar was recorded at 10 30 P.M. Information was given to Police immediately after the occurrence over phone. If we take all these things into account there is every reason to believe that some foul play had been going on. When I went I found only one Havildar. I had learnt that the O.C. and others were enjoying themselves in the Broadway Hotel; this is shameful on the part of Government servants. The O. C. and others were completely unbalaned and they were failing in discharging their duties. When in a case where a public representative was taking interest the police behaved this way. Then what about the security of the ordinary citizens of the State. Therefore, Sir, by considering all these aspecets I say that the report that has been furnished to Govt. is not a correct one, and I am challenging it. I would request the Hon'ble Minister in charge of Finance to call for a fresh report, and if it is found that what I say is wrong I will apologige to this House. I would request that a top ranking officer should be entrusted to go into the matter. It is said that there was a scuffle. It is not so. The murdered man was coming in a bicycle and the murderers were hiding themselves.

Shri Kamakhya Prasad Tripathy—Discussion of the evidence in this House after the chargesheet has been submitted will not be proper because it will prejudice the case. Once the charge sheet is submitted the case becomes subjudice and no discussion should be allowed.

Shri Tilok Gogoi : মাননীয় অধ্যক্ষ মহোদয় বৰুৱা ডাঙৰীয়াই উল্লেখ কৰিছে যে এই ঘটনাটো এটা Politlcal murder, Political murder বুলিলে আমি জগৰীয়া হম, কিন্তু মই যিটো দেখীছো এই ঘটনাটোনো কত ঘটিছে, কাক মাৰিছে, কাকো চিনি নাপাও, তেনেস্থলত এইটো কেনেকৈ Political murder বুলি

আখ্যা দিছে, মই একো বুজি পোৱা নাই। মই ১ বছৰৰ পৰা যিটো দেখিছো তেওঁলোকৰ ভিতৰত সৰু স্বৰা মাৰপিট চলিয়েই আছে, অৱশ্যে তেওঁলোকৰ ঘৰুৱা কাজিয়াৰ বিষয়ে আমি অলপ উমঘাম আগৰে পৰা পাও।

Shri Dulal Chandr Baruaha : গোসাই ঘৰত কোন ? মই কল খোৱা নাই।

Shri Debeswar Sarma : মাননীয় সদস্য শ্ৰীদুলাল বৰুৱা ডাঙৰীয়াই কৈছে যে গোসাই ঘৰত কোনে কল খালে ? সেইটো কোৱাৰ প্ৰয়োজন নাছিল। আমাৰ ভিতৰতে এই ঘটনা বিলাক আলোচনা কৰি একো লাভ নাই—। ভোগদৈৰ শিপাৰে লড়াবুঢ়া গাওঁৰ মানুহবিলাক বৰ শান্তি প্ৰিয় মানুহ— সেইবিলাক গাওঁত মই ওকালতি কৰো আৰু ওকালোটি কৰাই মোৰ ব্যৱসায় আৰু ওকালতি কৰিয়েই মই জীৱিকা উপাৰ্জন কৰো আৰু শেষেই মই ভালকৈ জানো সেই মানুহবিলাক বৰ শান্তি প্ৰিয়। মই এইটো কথা কব খুজিছো যে আমাৰ ভিতৰতে Political murder ৰ আলোচনা নকৰাই ভাল এই ক্ষেত্ৰত মোৰ মনত পৰে আমাৰ Tarun Ram Phukan ৰ কথা মনত পৰে তেওঁ বৰ সুন্দৰকৈ হুতীয়া কথা কব পাৰিছিল আৰু তেওঁৰ লেখিয়াকৈ মাত্ৰ স্বৰ্গীয় চন্দ্ৰধৰ বৰুৱাইহে কব পাৰিছিল। এই প্ৰসঙ্গতে এটা কথা মনত পৰে Passanger এজনে কৈছিল বোলে অ নাৱৰীয়া নাওখন বুৰিব চাবা ; ভাল মনত পেলাই দিলা।

আমাৰ সেই Detective Novel বোৰ পঢ়িয়েই হবলা এনেকৈ murder কৰিবলৈ শিকিছে ৰাতি ৮ বজাৰ পিছত বোলে Murder Report নলয় কৰবাত Political Murder হলে কোনোবাই আহি ৮ বজাতে Report দিলে কিন্তু পুলিশে ১০ টা বজাৰহে report পোৱা বুলি কয়, গতিকে এই বিলাক Officerৰ ওপৰত কিয় action লোৱা হোৱা নাই। এজাহাৰ লৈ গৈ পুলীশে চুৰট পান তামোল আদিৰ খৰচ নাপালে এজেহাৰ খন নলয় ; বোধকৰো তমোল পানৰ খৰচ দিবলৈ ধন নাই। আজি কালি sectt. office বিলাকৰো এনেকুৱা হৈছে বুলি শুনিছা; ঘটনাৰ report ৮ বজাত দিয়াত কিয় ১০ বজালৈ পেলাই থোৱা হল। তেওঁৰ ওপৰত কিয় action লোৱা নহ'ল ; Transfer কৰাটোৱেই শাস্তী নহয় ! গতিকে সেই Officer জনক শাস্তি নিদি কিয় Transfer কৰা হল। ১০ দিনৰ পাছতো এটা তদন্ত কৰি কিয় তেওঁক শাস্তি দিয়া নহল ?

৩২৩ আৰু ৩২৯ মতে যি কোনো case ৩/৪ মাহৰ ভিতৰতে উকলী যাব লাগে কিন্তু এইটো ২ বছৰেও কিয় উকলাৰ পৰা নাই ; বোধকৰো আমাৰ

Tripathy ডাঙৰীয়াই নাজানে। এইবিলাকৰ Enquiry কিয় এতিয়ালৈকে চলোৱা নাই ; ১০ বছৰ পিছত যেতিয়া এই বিষয়টো O.C যে enquiry কৰা নাই 2nd Officer বা Constable য়ে কি কৰি আছিল ? Is it a fact that O Cয়ে হেনো কোনোবা Hotelত কিবা খাই আছিল, থিকেই যদি খাইয়েই আছিল, Sunior Officer নাথাকিলে তলৰ Officer য়ে কি কৰি আছিল ? সেই বিলাক—ৰটো যথাযথ ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল।

পিছে মই আৰু এটা কথা কও সেইটো হল Officer বিলাকক যদি কৰ্কথনা কৰি থাকে তেতিয়াহলে administration বেয়া হৈ যাব পাৰে গতিকে সেইটোলৈও চকু দিব লাগে। এজন বাগানৰ মেনেজাৰে তলৰ কাম কৰা এজন কৰ্মচাৰীক বৰকৈ কৰ্কথনা কৰি থকাত এদিন তেওঁ এডাল ৰোললৈ manager ৰ ওচৰ চাপি কলেহি যে .. ··· যে "Always angry no good, some times angry good' গতিকেই প্ৰয়োজন নহলে officer সকলক কৰ্কথনা কৰি থকা উচিত নহয়।

Shri Kamakhya Prasad Tripathi—Sir, I have already stated that the officer-in-charge has been transferred audaction will be taken as soon as the report from the magistrate is received.

Mr. Speaker, Sir, if in course of the evidence the Court finds it to be a political murder, it is a political murder. Therefore, it will not be proper to make the discussion of the evidence saying the delay in submission of the Ejahar. The O/C has already been transferred. How, a Magistrate has been entrusted to enquire into the matter and when we receive the report, proper action will be taken.

Shri Dulal Chandra Barua—Mr. Speaker, Sir, I want to submit in this connection that a Goverment Vehicle has been engaged and it should be enquired into.

Shri Kamakhya Prasad Tripathi—No, Sir, Govt. vehicle was not engaged. It a person utilises Govt. vehicle, it will be proved in the evidence and that has nothing to do in this murder. The case is a subjudice one and no discussion about this, should be permitted.

Mr. Speaker—I reserve my ruling.

Shri Debeswar Sarmah—Mr. Speaker, Sir, on last 7-8-69 the motion was moved for consideration and the hon. Member Shri Dulal Chandra Barua moved the amendment for re-committed but it was rejected. Now, the motion for taking up the Bill as passed by the Select Committee is before the House, because the discussion was adjourned by a motion moved by Shri Prabhat Narayan Choudhury. This was on seventh occassion and now, I submit to the Speaker to put the question on the motion the Bill straight way.

Mr. Speaker - I put the quesiion that the Dibrugarh University ( Amendment ) Bill, 1967 as reported by the Select Committee be considered.

( The motion was moved and adopted )

Mr. Speaker—Next, I think there is no amendment.

Shri Debeswar Sarmah—There is no amendment tabled in respect of this bill. Therefore, the Bill may be passed. But I have to make a submission. Sir, this Bill was introduced in 1967 and this is 1970. The main contentious Clause, it will be recalled, is in respect of abolition of the post of Rector. This Bill has three main points—(1) removal of the office of the Rector, (2) giving some supervisory powers to the Court and (3) to provide certain amount of financial control over the afiairs of the University. Now, this Bill was submitted in 1967 and this is 1970. I had a discussion with the members on both sides of this House. It was the concensus of the members of all sides that the post of Rector during the current term may not be disturbed. In the original Act, Clause-I, Sub-clause-2 reads like this - it shall come into force on such date or dates as the State Government may by notification in the official gazette appoint etc. In the report of the Select Committee, the Sub-clause-3 reads like this—it shall come into force on such that the State Government may by notification in official gazette appoint. Now the point is this—the order provisions regarding supervision by the Court

and financial control .. these provisions may be given effect to as soon as Goverment thinks fit. But as I have submitted, it is concensus that the present incumbent in the post of Rector may not be disturbed during the remaining period of the year. In the circumstances, it would be more suitable if we had the original Clause in tact rather than the amended one, and for that the consent of the Hon. Speaker and the approval of the House are required to say that this Sub-Clause-3 shall read like the original Sub-Clause (2) in the original Act. I want to say that this Amending Bill, Clause-3 will remain as Clause-2 in the original Act. That is to say, the original Act reads like this—it shall come into force on such date or dates as the State Government may by notification in the official gazette appoint and different dates may be appointed for different provisions of the Act. In the report of the Select Committee, it reads like this—it shall come into force on such date as the State Government may by notification in the official gazette appoint. This means that it will come at one time without break. Now a situation has arisen due to lapse of clear 3 years and a little more since the introduction of the Bill, the present incumbent may not be disturbed because it is not the question of individual but it is the question of office. Even if the present incumbent becomes the Vice-Chancellor I won't object, because as it is that the mountain that looks very beautiful from distance the people from outside has glamour for us. Therefore, if the Hon. Speaker consents and the House approves, let the Clause-3 remain as original Clause-2 that is to say—that the Clause will read in place of—'it shall come into force on such date as the State Government may by notification in the official gazette appoint the following be substituted—'it shall come into force on such date or dates as the State Government may by notification in the official gazette appoint and different dates may be appointed for different provisions of the Act.'

* Shri Dulal Chandra Barua—Mr. Speaker, Sir, the suggestion that has been put forward by the Hon. Member, Shri Sarma is

* Speech not corrected

of course not bad. But in the matter of implementation of this, legal complicacy that may arise, I would like to suggest that the Clause of the Bill should be taken at a time and not part by part. The Government may do it from time to time. Sir, the Clause about the removal of the post of Rector should be kept in abeyance because there may be some sort of psychological effect in the mind of the incumbent, and this will also have a bad effect. We will have to change or amend the Bill whenever necessary. Therefore, by considering all these aspects and also considering the legal complications regarding the implementation of the amended portions of the Bill, may I request Mr. Sarmah through you, Sir, to drop this Clause.

Shri Promode Chandra Gogoi :—অধ্যক্ষ মহোদয়, এই বিলখনৰ merit সম্পৰ্কে মই কবলৈ নেযাওঁ যেহেতুময়ো এজন মেম্বাৰ আছিলো। কিন্তু এটা কথা জানিব খোজো যে Rules of Procedure and Conduct of business in the Houseৰ কোন ধাৰা মতে select কমিটিৰ বিল এখন সদনত দাখিল কৰাৰ পিচত আৰু passing stageত মৌখিক সংশোধনী আনিব পাৰে, যেনেকৈ মাননীয় সদস্য শ্ৰীদেবেশ্বৰ শৰ্মা আৰু শ্ৰীতুলাল ৰুকৰাই সংশোধনী আনিছে। কিন্তু লিখিত সংশোধনী সময় মতে দিয়া নাই। সেই বাবে সংশোধনী অনাৰ এতিয়া উপায় নাই তেখেত সকলে Rules কোন ধাৰা মতে এই সংশোধনী বিচাৰিছে। অধ্যক্ষ মহোদয় মই জানিব খোজো।

Shri Atul Chandra Goswami :—Rule 237- Presentation of Report—The report of the Select Committee on a Bill together with the minutes of dissent, if any, shall be presented to the Assembly by the Chairman or in his absence by any member of the Committee.

Select কমিটিয়ে দাখিল কৰা বিল খনৰ ওপৰত সংশোধনী অনাৰ এতিয়া সময় নাই। এতিয়া সদনে হয় গ্ৰহণ কৰিব নহয় বাতিল কৰিব। গতিকে final stageত কোনো সংশোধনী Rule মতে অনিব নোৱাৰে।

Shri Debeswar Sarmah—মাননীয় সদস্যই যিটো point of order আনিছে সেইটো মই মানি লৈছো।

Mr. Speaker—আৰু এটা point of order আছে শুনি ললে ভাল হব।

M. Shamsul Huda—অধ্যক্ষ মহোদয়, মাননীয় শ্ৰী দেৱেশ্বৰ শৰ্মা ডাঙৰীয়াই বিল খন দাঙি ধৰিছে। ইয়াতে ৩টা মূল কথা আছে—তৰে ২টা গ্ৰহণ কৰি এটা পিচলৈ থবলৈ তেখেতে কৈছে। select কমিটিৰ পৰা অহা বিল এখন এতিয়া final stageত। এই অৱস্থাত এতিয়া সংশোধনী আনিব নোৱাৰে। Rector পদটো উঠাই দিয়াত সকলোৰে সমৰ্থন আছে। কিন্তু তাকে এতিয়া নকৰি ৩ বছৰ পিচত কৰিব লাগে বুলি কৈছে। সেইটো কেনেকৈ হব ? এতিয়া final stageত হয় বিল খন গৃহীত হব নহয় নাকচ হব।

Shri Jogen Saikia—অধ্যক্ষ মহোদয়, বিলখনত ৩টা কথা আছে; তাৰে ২টা non controvertial আৰু এটা controvertial. Rector পদ abolish কৰা সম্বন্ধে slect কমিটিত controversy আছিল। এতিয়া এই controversy থকা বিষয়টো সদনৰ বিভিন্ন অংশৰ লাভ আলোচনা কৰি চৰকাৰে যেতিয়াই উঠাই দিয়াৰ সিদ্ধান্ত কৰে তেতিয়া উঠাব পৰা এটা মীমাংসালৈ অহা হৈছে বুলি Bill খনৰ প্ৰস্তাৱকে কৈছে। অৱশ্যে এই মীমাংসাত স্থিৰ হৈছে যে যেতিয়ালৈকে বৰ্ত্তমান Rector জনৰ term শেষ নহয় তেতিয়ালৈকে চৰকাৰে বিল খনৰ এই অংশটো কাৰ্য্যকৰী নকৰিব। এতিয়া প্ৰশ্নটো হৈছে যে Bill খনৰ তিনিওটা ব্যৱস্থা একেলগে বলবৎ কৰিবনে ২টা এতিয়া বলবৎ কৰি এটা পিচত কৰিব। original Actত আছিল যে এটা অংশ এবাৰ বলবৎ কৰি আনটো অংশ পিচত বলবৎ কৰিব পাৰে। যদি original Act মতে প্ৰয়োগ কৰা হয় তেন্তে চৰকাৰে Non-controvertial বিষয় কিটা এতিয়া বলবৎ কৰি Rector সম্বন্ধীয় দফাটো পিচত অৰ্থাৎ বৰ্ত্তমান Rectorৰ term শেষ হলে বলবৎ কৰিব পাৰিব। Amending Bill খন বিনা সংশোধনে গৃহীত হয় চৰকাৰে একেলগে আটাই কেইটা প্ৰয়োগ কৰিব লাগিব। এতিয়া প্ৰশ্ন হৈছে Bill খন Passing stage ত amend কৰিব পাৰিনে নোৱাৰি। আমাৰ Rules of Procedure ত এনেকোনো নিয়ম নাই—যে তেনে কৰিব নোৱাৰি। আইনৰ এইটো সাধাৰণ নীতি যে যি বিষয়ত নিয়ম স্পষ্ট নহয় বা নিয়ম নাথাকে তেনেকুৱা বিষয়ত আদালতে ৰায় দিব লাগে আৰু পাৰে; এই বিষয়ত যেতিয়া সংশোধনী দিব নোৱাৰাৰ কোনো নিয়ম নাই অধ্যক্ষ মহোদয় অনুমতি দিলে সদনে তেনে কৰিব পাৰে। অধ্যক্ষ বা সদনৰ এই কাৰ্য্যত বাধা দিব পাৰা কোনো কথা নাই।

Shri Promode Chandra Gogoi—অধ্যক্ষ মহোদয় তেখেতে ইমানবোৰ বক্তৃতা দিছে কিন্তু কোন Rule মতে কৈছে সেইটো নকয় কিয় ? এতিয়া find stage আৰু এই অৱস্থাত সংশোধনী দিব পাৰে—যদি কোন Rule মতে পাৰে আমাক স্পষ্টকৈ কব লাগে।

Shri Jogen Saikia—माननीय অধ্যক্ষ মহোদয়, point of orderৰ বিষয়ে কবলৈ মোৰ অধিকাৰ আছে। অধ্যক্ষ মহোদয় যদি আমি কোনো বিষয়ে আইন মানি চলো—তাৰ কোনো কথা যদি লিখিতভাবে উল্লেখ নাথাকে সেই সম্বন্ধে অধ্যক্ষৰ অনুমতি লৈ Houseত কব পাৰি। (গণ্ডগোল)

যদি এটা নিৰ্দিষ্ট নিয়ম বন্ধা থাকে সেই নিৰ্দিষ্ট নিয়মমতে চলিব লাগে। যদি নিয়মৰ কোনো লিখিত ব্যৱস্থা পৰিষ্কাৰকৈ নাথাকে তেতিয়াহলে courtত যেনেকৈ presiding officerৰে নিজৰ discresion মতে কৰিব পাৰে—houseতো speaker ৰ মতে কৰিব পাৰে।

Shri Promode Chandra Gogoi—অধ্যক্ষ মহোদয়ৰ ক্ষমতা অনুসৰি যি কোনো সময়তেই Rule Produce কৰিব পাৰে—সেইটো কথাহে মাননীয় সদস্য গৰাকীয়ে কলে। কিন্তু তেওঁ কোনটো clause পৰা এই বক্তৃতা খিনি দিলে সেইটো দিব লাগে।

Shri Debeswar Sarmah—অধ্যক্ষ মহোদয়, এই বিৰোধী পক্ষৰ তিনি গৰাকী সদস্যই যি point of order উত্থাপন কৰিছে তাত substance আছে। মই মানি লও। মই আশা কৰো তেওঁলোকে ইচ্ছা কৰি মোক ভুল বুজে। তেওঁ লোকে যি তিনিটা pointৰ কথা কৈছে সেই তিনিটা Intact আছে। তেতিয়া হলে মই ভাবি লৈছো যে এই বিলখন as amended pass হৈ যাওক আৰু তাতেই যিখিনি আসোৱাহ আছে সেইখিনি আলোচনা কৰোতে ওলাই পৰিব। আৰু গভৰ্ণমেন্টে সেইখিনিৰ notice লব। সেইটো হলে আমাৰ purpose serve কৰিব। ইয়াতে এটা কথা আছে—That the Government will take notice of the debate on the floor of the house will sufficiently serve the purpose. If notice of a proposed amendment has not been sent to the secretary two clear days before which the Bill is to be considered, any member may object to the moving of the amendment, and such objection shall prevail unless the speaker, in his discretion, allows the amendment to be moved.

এইটো Rule 77.

সেইকাৰণে মই বাকবিতণ্ডা বেচিলৈ নাযাও। মাননীয় সদস্যই যিটো Rule খুজি Code কৰিছে মই amendment ডাঙি ধৰা নাই। Speaker এ houseত Approval নিদিলে move কৰিব নোৱাৰি।

Shri Jogen Saikia—House এ approval দিয়ে নে নিদিয়ে সেই চাব লাগে।

Shri Debeswar Sarmah—এইটো substantial কথা নহয়। It is a matter of form only. তেখেতসকলক মই অনুৰোধ কৰো যাতে এই Rule টো waive কৰে। অৱশ্যে প্ৰশ্ন তোলা কেইজনৰ তিনিজনেই select committeeৰ member.

( গণ্ডগোল )

Shri Atul Chandra Goswami—অধ্যক্ষ মহোদয় Rule 81 page 33 "The speaker shall have power to select the new clause or amendments to be proposed and may, if he thinks fit, call upon any member, who has given notice of an amendment to give such explanation of the object of the amendment as may enable him to form a judgement up on it." ইয়াত পৰিষ্কাৰ কৈ দিয়া আছে যিয়ে নিদিয়ে আহিব নোৱাৰে।

Shri Debeswar Sarmah—যদি আপত্তি কৰে আহিব নোৱাৰে।

Shri Dulal Chandra Baruah—There is a precedence and convention. We have accepted verbal amendments and therefore it is upto you to decide.

Mr. Speaker—মই এইটো amendment কৰি তেখেতক কৈছো—clauseৰ সময়ত কিবা আছে নেকি মই সুধিছো। কথা আছে written নাথাকিলে মই সেই খিনি সময়ত verbally আইন দিব; পৰা power দিছে। শৰ্মাদেৱে যিটো কৈছে সেইটোও হব। পুৰণা আইন মতে propose কৰিলে এইটো মতে সোমাই দিব লাগে।

Shri Phani Bora—অধ্যক্ষ মহোদয়, যিটো original amendment হিচাবে আনিব খুজিছে। এইটো meritsৰ ফালৰ পৰা বিপদ আছে। ইয়াত তিনিটা pointৰ কথা আছে। এটা হৈছে Rectorৰ post abolish কৰা, আনটো prochancellorৰ post আৰু তাৰ প্ৰাচত courtক বেছি power দিয়া। এই amendmentৰ দ্বাৰা যদি meritsৰ ক্ষতি নহয় তাৰে আমি চোৱা উচিত। গতিকে এই কথাটোলৈ দৃষ্টি দিবলৈ মই অনুৰোধ কৰিলো।

Shri Debeswar Sarma—অধ্যক্ষ মহোদয়, Approvalৰ ক্ষেত্ৰত যদি আমাৰ এগৰাকী মাননীয় সদস্যও আপত্তি কৰে তেতিয়া এইটো Approval পোৱা বিষয়টো সমীচীন নহ'ব। এইটো Consensus ৰ পৰিপন্থীহে হ'ব। আমাৰ মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই ইয়াৰ Approvalৰ বিষয়ে এটা প্ৰশ্ন তুলিছে যেতিয়া মই মাননীয় স্পীকাৰ মহোদয়ক অনুৰোধ কৰিছো যে সেই বিষয়ে আৰু বিবেচনা কৰিব নালাগে। মই মাত্ৰ অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছিলো যে এইটো সম্ভৱ হয় নে নহয়। এতিয়া সেই বিষয়ে আপত্তি হৈছে, যেতিয়া মই আগৰ বিলখন সংশোধিত আকাৰে সদনত গৃহীত কৰাৰ কাৰণে অনুৰোধ কৰিছো।

Mr. Speaker—এই বিলখনৰ কিছুমান clause ৰ implementation হ'ব আৰু কিছুমান নহ'ব এইটো কথা point of order ত raise কৰা হৈছে। কাজেই সদনৰ একমত নহলে হ'ব নোৱাৰিব।

Shri Dulal Chandra Barua—মাননীয় অধ্যক্ষ মহোদয়, এই খিনিতে এটা কব-লগীয়া কথা হৈছে এই যে ইয়াত যি কেইজনে বিলখন implement কৰিবলৈ Advocate কৰিছে তাৰ ভিতৰত এজন Select Committee ৰ মেম্বাৰ আৰু বাকীকেইজন বাহিৰৰ। সেইকেইজনৰ ভিতৰৰে ২/৩ জনে Note of dissent দিছে। ইয়াতে এটা clause vice চেন্সেলৰৰ। এটা ৰেক্টৰ পোষ্ট সম্পৰ্কে। মোৰ কথা হ'ল ইউনিভাৰ্চিটি সুষ্ঠ আৰু সবল কৰাহে আচল কথা। তাৰ কাৰণে সুষ্ঠ সবল নীতিৰ দৰকাৰ। Universityৰ ভিতৰত কেৰোণ গুছাবলৈহে নীতিৰ দৰকাৰ। অধ্যক্ষ মহোদয়, মই যোৱা বাৰো কৈছিলো যে দুইখন university তেই এটা uniform নীতি গ্ৰহণ কৰিলেহে যি উদ্দেশ্য লৈ university স্থাপন কৰা হৈছে সেই উদ্দেশ্যত ফলৱতী হ'ব পৰা যাব। দ্বিতীয় কথা হৈছে Amendment সম্পৰ্কে। ততাতয়াকৈ Telegram আদি দি session বহিলে, কত কাগজ পত্ৰ থাকে বিচাৰিবলৈ অৱসৰেই নাপালো। এতিয়া বিলখনত ৰেক্টৰ পোষ্ট উঠাই দিয়াৰ কথা কৈছে। কিন্তু সুষ্ঠ সবল নীতি নহলে university সুষ্ঠ সবল হ'ব নোৱাৰে।

Shri Atul Chandra Goswami : Sir, on a 'Point of order' "The discussion of a motion that the Bill or the Bill as amended as the case may be, be passed shall be confined to the submission of arguments either in support of the Bill or for the rejection of the Bill.

In making his speech a member shall not refer to the details of the Bill further than is necessary for the purpose of his arguments which shall be of a general character বিল পাচ কৰা বা Reject কৰাৰ কোনো scope माननीয় সদস্যৰ নাই।

Shri Dulal Chandra Barua—অধ্যক্ষ মহোদয়, এইটো নির্ভৰ কৰে—আপোনাৰ ওপৰত। Select কমিটিৰ যিসকল Member সেই সকলে select কমিটিৰ ৰিপোর্ট দিয়াৰ পাচত কোনো কথা কবলৈ অধিকাৰ নাই।

অধ্যক্ষ মহোদয়, এই কথাটো লৈয়েই আমাৰ মাজত মনোমালিন্য হোৱাতো বৰ দুখৰ কথা। ই সুস্থ কথা নহয়। আমাৰ মাননীয় সদস্যজনৰ Rule ৰ অভিজ্ঞতা বহুত আছে কিন্তু মোৰো কিছু অভিজ্ঞতা আছে। বেছি নাজানিলেও কিছু কথা জানো। মই কেৱল বিলখনৰ বিৰোধীতা কৰা প্ৰসঙ্গত Reference হে দিছো। পাতনিৰ পৰাই আৰম্ভ কৰিব লাগিব। ইয়াত বেক্টৰ পোষ্টটো উঠাই দিয়াৰ কথা উঠিছে। মই বিলখন সংশোধনৰ ক্ষেত্ৰত কৈছো যে এইখন বিল Implement কৰিলে এটা সুস্থ পৰিবেশ নষ্ট হব। আমাৰ মাননীয় সদস্য শ্ৰীশৰ্মা ডাঙৰীয়াক কোনোবাই তেখেতে কি কৰে সোধাত কৈছিল যে "নলগা লাউত জেং দি ফুৰো" আমাৰ কথাও সেয়েই হৈছে অৰ্থাৎ যিটো portion নালাগে সেই portion তেই বেছিকৈ জোৰ দিয়া হৈছে Implementৰ বাবে। Select Committeeৰ unanimityৰ কথা বাদ দি দেখা যায় আমাৰ সদস্যসকলৰ মাজতো মতৰ প্ৰভেদ আছে গতিকে On Matter of Principle দেশৰ সমূহীয়া স্বাৰ্থৰ ক্ষেত্ৰত গাইগুটিয়া কথাই প্ৰধান্য লাভ কৰা উচিত নহয়। গতিকে বিলখনৰ মাননীয় উদ্যোক্তা জনৰ পৰা সু-পৰামৰ্শ পাম বুলি আশা কৰিলো। কেৱল দুই খন university তে একে নিয়ম, সুস্থ সবল নিয়ম প্ৰযোজ্য হব লাগে।

Shri Phani Bora : মাননীয় অধ্যক্ষ মহোদয়, বিলখন মোটা মোটি ভাবে আমি সমৰ্থন কৰো, কাৰণ ইয়াত যি কেইটা কথা কবলৈ বিছৰা হৈছে সেই কেইটা কথা আমি আগেয়ে বিছাৰিছো। এতিয়া আমি যি কেইটা কথা বিছাৰিছো সেইখিনি কথা ইয়াৰ ভিতৰত নাই। যেনেকৈ বিশ্ববিদ্যালয়ৰ কৰ্ট গঠন কৰাৰ ক্ষেত্ৰত আজি বৰ্তমান শিক্ষা ব্যৱস্থা, বিশ্ববিদ্যালয়ত যিভাবে ছাত্ৰ আৰু শিক্ষক এফালে বা শিক্ষক সকল এফালে থাকে আৰু তাৰ Managment আন এফালে হৈ সমাজ আৰু সংঘৰ্ষৰ ভিতৰত অৱতীণ হোৱা আমি দেখা পাইছো। এই

পৰিস্থিতিত বিশ্ববিদ্যালয়ে গণতন্ত্ৰৰ ওপৰত ভিত্তি কৰি সুস্থিৰ ভাবে পৰিচালনা কৰিবলৈ হলে কৰ্ট গঠন কৰাৰ ক্ষেত্ৰতো ছাত্ৰ প্ৰতিনিধি লোৱা অত্যন্ত জৰুৰী হৈ পৰিছে। কিন্তু এই ক্ষেত্ৰত আমাৰ বিশ্ববিদ্যালয়ত এইবিলাক নাই। এই বিলাক আজি অৱস্থাৰ লগত সামঞ্জস্য ৰাখি আৰু সংশোধন কৰা প্ৰয়োজন হ'ব। কিন্তু যি কেইটা সংশোধনী আহিছে সেই সংশোধনী কেইটা আমি উন্নতিৰ ফালে, প্ৰগতিৰ ফালে বুলি হিচাবে প্ৰয়োজন হব বুলি আমি বিবেচনা কৰিছো।

বিশেষকৈ আমি জানো যে বিশ্ববিদ্যালয় সমূহক চৰকাৰৰ ফালৰ পৰা গ্ৰান্ট দিয়া হয়, বিশ্ববিদ্যালয়ৰ কমিশ্যনৰ পৰা গ্ৰান্ট দিয়া হয়। এই গ্ৰান্ট বিলাক কোটি কোটি টকাৰ। এই কোটি কোটি টকা কি ভাবে খৰছ হৈছে তাৰ ওপৰত কোনো তত্বাবধান ৰাখিবৰ বাবে কোনো ব্যৱস্থা আছে নে নাই। আমি জানো যে কৰ্ট যদিও নিৰ্ব্বাচিত হয়, কৰ্টৰ বাজেট কৰাৰ অধিকাৰ নাই কৰ্টে কোনো ৰকমৰ **interfare** কৰাৰ অধিকাৰ নাই। তেওঁলোকে খালি এটা হিচাব কৰিব পাৰে আৰু তাৰ ওপৰত এটা লেকচাৰ দিব পাৰে। তেওঁলোকে কলে আৰু গল—**Advisory committee** ৰ দৰে। গতিকে এই ক্ষেত্ৰত কৰ্টক **Supervise** শক্তিৰ পৰা যিখিনি ক্ষমতা দিয়া হৈছে সেইখিনি প্ৰগতিৰ ফালে আগবঢ়াৰ কাৰণে সহায়ক হ'ব তাত সন্দেহ নাই। প্ৰগতিৰ ফালে আগবঢ়াই নিয়াত যদি আৰু ক্ষমতা বঢ়াই দিয়া হয় তেনেহলে এই কৰ্টৰ ক্ষমতা স্বাভাৱিকতে আমোলা তান্ত্ৰিক হ'ব। বিশ্ববিদ্যালয় কেইজনমান আমোলা বা কেইজনমান ব্যক্তিৰ পকেটৰ, হাতৰ বস্তু হৈ নপৰে আৰু আমাৰ শিক্ষাৰ যি মূল সংস্কৃতি এই ক্ষেত্ৰতো যাতে জাতিয় জীৱনৰ লগত সামঞ্জস্য ৰাখি পেলাই প্ৰগতিশীল সমাজ ব্যৱস্থাৰ চিন্তাধাৰাৰ লগত সামঞ্জস্য ৰখাৰ ব্যৱস্থা লোৱা দৰকাৰ। ইয়াত যি কেইটা ব্যৱস্থা আগবঢ়াইছে। সেই কেইটা ব্যৱস্থা আমি সমৰ্থন নকৰি নোৱাৰো।

তাৰ পাছত আৰু ৰেক্টৰ সম্বন্ধে যিটো প্ৰশ্ন উঠিছে সেই সম্বন্ধে আমাৰ শৰ্ম্মা ডাঙৰীয়াই কি উত্তৰ দি আমাক সন্তুষ্ট কৰে নাজানো কাৰণ সেইটো কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত দায়িত্ব শৰ্ম্মা ডাঙৰীয়াৰ আছে। যিখিনি কথাৰ কাৰণে বিলখন আনিছে তাৰ বিষয়ে তেখেতে বোধকৰো দুইমিনিটৰ পাছতে ভাল উত্তৰ দিব। এইটো চৰকাৰৰ কথা। গতিকে চৰকাৰৰ ফালৰ পৰা কৰ পাৰে। বৰ্ত্তমান যি **rector** ৰ পোষ্ট আছে সেইটোৰ ম্যাদ ৬ মাহনে ৭ মাহনে ৮ মাহমান আছে। এই ৮ মাহৰ পাছত চৰকাৰৰ ফালৰ

পৰা যদি সেই সম্পৰ্কে কিবা এটা কথা কয় তেতিয়া হলে আমাৰ ফালৰ পৰাও এইবিষয়ে আপত্তি কৰা বা এই বিলখনত বেলেগ এটা ব্যৱস্থা লোৱাৰ প্ৰয়োজন নহ'ব। আন এটা কথাও আমাৰ **Controversy** নাথাকিব। যিটো কথাত আমাৰ **Controversy** আছে চৰকাৰৰ ফালৰ পৰা কিবা এটা ব্যৱস্থা লবলৈ যদি এটা কথা কয় তেনেহলে মোৰ বোধেৰে বৰ্ত্তমানলৈকে যিখিনি হৈছে আমি সকলোৱে সমৰ্থন কৰিব পাৰিম।

**M. Samsul Huda :** মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনৰ **Passing Stage** লৈয়ে গণ্ডগোল। মই এইবিলখনৰ বিৰোধীতা কৰা নাই বৰং সমৰ্থনহে কৰিছো। আমাৰ দেশৰ জনসাধাৰণৰ আশা আজিও ফলপ্ৰদ নহ'ল। আজি বিশ্ববিদ্যালৰ পৰা আমি ভাল লৰা উলিয়াই দিব পৰা নাই। সৰ্ব্বভাৰতীয় চাকৰী প্ৰতিযোগীতাও আন দেশৰ সমানে খোজ পেলাব পৰা নাই। আজি আমাৰ এক কোটি বিশলাখ মানুহ থকা স্বত্বেও আমি আজি **I.A.S.** অফিচাৰ বাহিৰৰ পৰা আনিব লগা হৈছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আৰম্ভনীৰে পৰা যিবিলাক খেলি মেলি হৈ আহিছে সেইবোৰ দেখি শুনি আমি হতাশ হৈ পৰিছো।

এতিয়া আক' এই বিশ্ববিদ্যালয়ত নানা প্ৰশ্ন আহি পৰিছে। তাৰে এ প্ৰশ্ন **Rector** উঠোৱাৰ সম্বন্ধে। **Rector** এতিয়াই গুচোৱাটো ভাল হয়নে আৰু তাৰ পৰিণিতি কি হয় সেইটোও ভাবিব লগীয়া কথা। এই সম্বন্ধে ব্যক্তিগত ভাবে কবলৈ হলে মই **Selet committee** ৰ মেম্বাৰ নহয়। ডিব্ৰুগড় লৈ মোক মতা নাই কিজানি মই গলে এই প্ৰশ্নটোৰ বিৰোধিতা কৰো। আৰু ময়ো যোৱা নাই এই বিষয়ত সংলিষ্ট হওঁ বুলিয়েই। মোৰ মতামত এয়ে যে ডিব্ৰুগড় বিশ্ববিদ্যালৰ মঙ্গলৰ বাবে যদি **Rector** ৰখাৰ প্ৰয়োজন আছে বুলি চৰকাৰে ভাবে তেন্তে ৰাখিব পাৰে।

চৰকাৰৰ সন্মুখলৈ এনে ধৰণৰ জটিল প্ৰশ্নবোৰ নাহিবও পাৰে। আৰু আহিলেও এইবোৰ সমাধান কৰিবলৈ যাওঁতে বিলখন সংশোধনী বিল আনিছে এই বিলখন যদি উদ্যোক্তাৰ বাহিৰে অন্য সদস্যই আনিলেহেতেন তেন্তে কিবা কথা চিন্তা কৰিব পাৰিলোহেতেন। কিন্তু এতিয়া যিটো পৰিবেশৰ সৃষ্টি হৈছে **Select Committee** ৰ **report** মতে বিলখন যেনে ভাবেই আহিছে তেনে

ভাবেই গ্ৰহণ কৰা উচিত বিশ্ববিদ্যালৰ ভবিষ্যতৰ উন্নতিৰ বাবে সংশোধনী লোৱাই উচিত হ'ব।

ইয়াকে কৈ মই বিলখন সমৰ্থন কৰি সামৰণি মাৰিলো।

Shri Joy Bhadra Hagjer, (Minister, Education)—Mr. Speaker, Sir, I was saying that the purpose of this amending Bill is two in number. One is the abolition of the post of the Rector and the other is to give more financial power to the Court. About the abolition there was a controversy. There were two opinions. One section said that the University is a small one and there should be no Rector while the other section said that the University being new, and in the process of being built up, there should be a Rector and Vice-Chancellor should be in charge of academic matters. But it seems that opinion has veered round Mr. Sharma for the abilition of the post of the Rector. Opinion is crystalised but at the same time the desire is that the present incumbent would be allowed to complete his term. The first amendment was sought to be achieved by amending clause 2 of section one of the Amendment Bill. I wish the House could have seen its way to agree to it. The Govt. is fully in agreement with Mr. Sharma's view, I wish, I repeat, the House could accept the Amendment. Except this I have nothing more to say. If the House permit, the present incumbent of the post will be allowed to complete his term. It is not a long period. It is the matter of a few months only. Mr. Phani Bora said about the Govt. control over the finance of the University. Section 34 clauses 1 and 2 provide certain provisions & which Govt. can control and the public also can have a say on the financial administration of the University. Section 34 clause 2 reads : "Such annual statement of accounts shall, together with copies of the audit report thereon, be submitted, through the Executive Council, to the Court and to the State Government and thereupon the State Government may publish the same in the Official Gazette.' The other Amendment should be a consequential one. The House agree on the abolition of the post of a Rector and enhance the financial power of the State. These are the two main amendments and the House has agreed thereto. I have nothing

more to say except that I am in a predicament as to how to comply with the wish of the mover of the Bill.

Shri Jogen Saikia :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বৰা ডাঙৰীয়াই যিটো কথা চৰকাৰৰ পক্ষৰ পৰা জানিব খুজিছে যে Present incumbent টোৰ কি ব্যৱস্থা কৰা হৈছে বা ইয়াৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰা হব। এই কথাটোত মই তেখেতৰ লগত একমত; যদিও মই select committeeত এটা opinion দিছিলো তথাপি compromise লৈ আহিছিলো।

মাননীয় মন্ত্ৰীমহোদয়ে এটা Difficultiesৰ কথা কৈছে যে কেনেকৈ comply কৰিব।

Shri Giasuddin Ahmed : Mr. Speaker, Sir, there was a point of order. Sir, the consideration stage has already passed. And this is a passing stage of the Amendment. At this stage no discussion can take place.

Mr. Speaker : Whether it is in favour or against the Bill is to be seen even the passing stage.

Shri Debeswar Sarmah—May I invite your attention to Rule 95 of the Rules of Procedure ? Are you going to waive this rule ? The Rule 95 says, "The discussion on a motion that the Bill or the Bill as amended, as the case may be, be passed shall be confined to the submission of arguments either in support of the Bill or for the rejection of the Bill. In making his speech a member shall not refer to the details of the Bill further than is necessary for the purpose of his arguments which shall be of a general character".

Shri Dulal Chandra Barua—মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন চলি গল-হেঁতেন। কিন্তু বিলখনৰ উদ্যোক্তা শ্ৰীযুত শৰ্ম্মা ডাঙৰীয়াই এই কথোপকথন আৰম্ভ কৰিলে। আগতেও একো নাছিল আৰু পিচতো একো নহলহেঁতেন। বিলখন ভোটলৈ গলহেঁতেন আৰু সেই ভোটত পাচ হলে হলহেঁতেন আৰু নহলে নহলহেঁতেন আৰু controversy কোনো কাকে নাথিল।

**Shri Jogen Saikia**—অধ্যক্ষ মহোদয়, controversy যাতে নহয় তাৰ কাৰণে মই কব খুজিছো। Amending Actখন কেৱল এটা সামান্য কথাৰ কাৰণে এই কথোপকথন হৈছে। তাত থকা "Date" শব্দটো "Dates" যদি কৰি দিয়া হলে তেতিয়াহলে সকলো কথোপকথন ওৰ পৰে। আশাকৰো এই স্তৰত অনুষ্ঠানটিৰ মঙ্গলৰ কাৰণে এই সৰু কথাটোত যেন কোনেও আপত্তি নকৰে আৰু অধ্যক্ষ মহোদয় আপুনিও যেন "Date"ৰ ঠাইত "Dates" কৰিবলৈ অনুমতি দিব।

**Mr. Speaker**—কথাটো হৈছে "Dates" হব লাগে। "Date or Dates"

**Md. Shamsul Huda**—অধ্যক্ষ মহোদয়, এইটো পৰিষ্কাৰ হব খুজিছো বৰ্ত্তমান যিটোক Appoint দিয়া হৈছে সেইটো উপৰঞ্চি হৈছে।

**Mr. Speaker**—'Date or Dates'

**Shri Debeswar Sarmah**—অধ্যক্ষ মহোদয় মোৰ কথাটো হৈছে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰথম Rectorৰ সম্পৰ্কত ৰাইজৰ যি আবেগ সেই কথাটোত মাননীয় সদস্য সকল স্পষ্ট হৈ যাব। Page 38ৰ উত্তৰ কেইটা পঢ়ি দিছো।

Q. What powers and duties have been delegated to you by the Vice-Chancellor since his taking over the charge ?

A. Since his taking over charge no powers and duties have been formally and specifically delegated to me till now.

Q. Were you ever consulted in any form in respect of appointment of Professors, Readers and in selection of Experts to assist the Selection Committee and in other types of correspondences with regard to appointment, interview, etc. ?

A. No.

উত্তৰত No. তাৰ পিচত মাননীয় সদস্য সকলৰ মনত থাকিব এই নতুন বিশ্ববিদ্যালয়খনৰ Vice-chancellor জন বৰ দৰকাৰী মানুহ। তেখেত ১৯৬৮-৬৯ চনৰ ১২ মাহেই ভাৰতত নাই। মই যেতিয়া ধৰিলো তেখেতে কলে 'মই দৰমহা লোৱা নাই।' এইটো কেনেকুৱা কথা? Vice-chancellor জনে Rector ক কোনো power দিয়া নাই অথচ ১২ মাহেই আমেৰিকাত আছো

আমাৰ বিশ্ববিদ্যালয় কেইখন অসমৰ ভবিষ্যত আশা ভৰষাৰ স্থল। লৰা-ছোৱালী বিলাকক শিক্ষা দি উপযুক্ত নাগৰিক কৰা। কিন্তু কোনোবাই ডিব্রুগড় বিশ্ববিদ্যালয়খনে উপযুক্ত নাগৰিক কৰাৰ লক্ষণ দেখিছেনে? বছৰি ২০ লাখ টকা দিয়া হয় আৰু বাজেটত উপৰঞ্চি এক লাখ টকা দিয়া হয়। এই টকা কেনেকৈ খৰচ হয় তাক কোনেও নাজানে।

(Voice—white elephant)

ডিব্রুগড় Executive Council ৰ যথেষ্ট ক্ষমতা আছে। মোক University Court লৈ পঠাইছিল আৰু University Court এ Executive court লৈ নিৰ্ব্বাচিত কৰিলে। তাতো গৈ মোৰ অৱস্থা লৈ লৈ থৈ থৈ হ'ল। মই সদায় Outvoted এই প্ৰসঙ্গত মই শেষৰ দুখন মিটিঙৰ বিষয়ে কোৱাটো উচিত হব বুলি ভাবিছো। এখন ১৯ ডিচেম্বৰ আৰু এখন ১৭ জানুৱাৰী ১৯৭০ চনৰ। ১৯৭০ চনৰ ১৭ জানুৱাৰীৰ মিটিংখন ২-৩০ বজাত পাতিছিল আৰু মোকো মাতিছিল।

"(1) The budget estimate for 1970-71
(2) The annual statement of accounts 1968-69
(3) Audit Report for 1967-68
(4) Annual report for the year 1968-69"

এই Annual Estimate, Audit Report, Budget এই বিলাক বিষয় বিবেচনা কৰিবলৈ মতা হৈছিল ২-৩০ বজাত। তাৰ পিচত Annual Report মই পাইছো মিটিঙৰ Date ৰ পাচত। Item ৰ তিনিটা Agenda আৰু এটা Additional Item Agenda সদায় দীঘলকৈ দিয়ে Executive council এ মিটিং বহাৰ সময়ত।

(Voice মন্ত্ৰী ডাঙৰীয়াই Paper পঢ়িছে)

শিক্ষা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ বিশ্ববিদ্যালয়ৰ প্ৰতি বৰ interest নাই।

এই ফালে যাবলৈ গধূলী হ'ল, আনফালে এখন দীঘলীয়া Addl. Agenda আনিছে। তাত দুজন মানুহৰ নাম আছে—V K.R.V. Rao আৰু S.K. Dutta ক Doctorate Degree দিব লাগে। আমাৰ সদস্য কেবাজনো উপস্থিত আছিল কেবাজনো মানে ৬ জন। তাৰ ভিতৰত independant member মাত্ৰ মষে

আছিলো । আৰু আছিল L.P Dutta Rector. H.N Barua, Director of Technical education, P. Chaliha Prof. Assamese, K.N Saikia, Principal Law College আৰু Shanti Prasad Vice Chancellor ৰ লাঠিয়াল। এই শান্তি প্ৰসাদৰ পৰা মাতেই মাতিব নোৱাৰি তেওঁ একেবাৰে হেচামাৰি ধৰে।

(Voice লাঠিয়াল বুলি Post আছে নেকি ?)

লাঠিয়াল বুলি Post নাই, কিন্তু তেওঁ Vice chancellor কিবা কলেই তেওঁ ওপৰতে পৰে। মানুহ জনৰ বয়স কম আৰু বৰ অহংকাৰী। আমাৰ যি আপত্তি তেওঁলোকে সেইবোৰ Proceedings ত লিপিবদ্ধ কৰিব নোখোজে। Item নং ১৩ দেখিলো দুজনক Doctorate Degree দিব লাগে কাৰণ convocation ত দিব লাগিব। তাৰে এগৰাকী হ'ল আমাৰ মুখ্য ন্যায়াধীশ Sri S.K Dutta তেখেতক বেগেতে দিব লাগে কাৰণ তেখেত অলপতে কুৰুক্ষেত্ৰ বিশ্ববিদ্যালৰ উপাচাৰ্য্য হৈ যাব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যিটো Executive council তাৰ আটাইকেইজন সদস্যই এওঁলোকক মনোনীত কৰিছে। আটাইকেইজনৰ ওপৰত মাতেই মাতিব নোৱাৰি। K N Saikia Law Collegeৰ Principal তেওঁ দৰ্মহা ১৬০০ টকা পায়, High Court ত Practise কৰে, আৰু তেওঁ হেনো টাই মঙ্গোলীয়ৰ ও সভাপতি আৰু সেই কাৰণে দিল্লীলৈ Delegation লৈ কেবাবাৰো অহাযোৱা কৰি থাকে। এওঁলোক আটাই কেইজনৰে একেই কথা। গতিকে ভোটত নিষ্পত্তি হয়। আটাই কেইজনৰে Vested interest. কাতনগা ও মেম্বাৰ তেওঁৰ অবশ্যে যিমান Vested interst নাই।

(Voice আপোনাৰ আছে নে নাই ?)

মোৰো Vested interest আছে। লৰা ছোৱালীবোৰ ভাল হব লাগে।

Dr. Bhupen Hazarika-- Vested interest মানে কি ?

Shri Debeswar Sarmah - ন্যস্ত স্বাৰ্থ।

সাধাৰণতে আগতে কলেজ পাতিব লাগে আৰু তাৰ পিচত বিশ্ববিদ্যালয় পাতিব লাগে। কিন্তু আমাৰ উলটা হ'ল—বিশ্ববিদ্যালয় আগতে হ'ল আৰু এতিয়া মধ্যে মধ্যে কলেজ পাতি ফুৰিছো। আকৌ সেইবোৰ Recognise কৰিব লাগে। ফলত কলেজৰ সংখ্যা যিমান সেই অনুপাতে নিৰক্ষৰাৰ সংখ্যাও বাঢ়ি

গৈছে। মোৰে ভাগিন ভতিজা সকলোৰে B A. M.A. পাচ কৰিছে আৰু চাকৰী নাপায় ঘৰতে বহি আছে। এতিয়া সিহত আগ দুৱাৰেদি ঘৰ সোমালে মই পিচ দুৱাৰেদি বাহিৰলৈ যাওঁ। কাৰণ কয় "আপোনালোকে দীঘল বক্তৃতা দিছে পিচে আমাৰ যে Overage হ'ল চাকৰী ক'ত পাম" এই Arts college বোৰ কৰি কি যে কৰিব ভাবি নাপাওঁ।

এই ডিব্ৰুগড় বিশ্ববিদ্যালয় পাতোতে কৈছিল এইখন Science oriented হব। আৰু Vice Chancellor জন Scholar হব। কিন্তু এতিয়া ডিব্ৰুগড় Vice chancellor জন Scholar হয় নে নহয়? তেওঁৰ কাৰ্য্য পদ্ধতিবোৰ দেখিলে এনে লাগে যেন তেওঁ দোকানৰ Salesman ৰহে উপযোগী। Prof. বিছাৰি ২ নং Advertisement টো পঢ়ি দিলে সকলো বুজিব। ১ মিনিট পঢ়ি দিছো বাৰু।

Advertisement No. 2 Annexure I

"The University intends to start a post-graduate Campus at Dibrugarh and needs Professors in various branches of Science, Humanities, Chemical Technology and Tele-communication in the pay scale of Rs. 1100-50-1500-60-1600. Highly qualified persons may be given a higher initial start or may be put in the grade Rs. 1600-100-1800. The posts are permanent and carry with them a Provident Fund of $8\frac{1}{2}$ per cent. Those willing to accept the challenge of organising new departments in the University are invited to correspond with the Vice-Chancellor, giving full details about their academic and professional qualifications. They may also give the names of two experts in their field who are acquainted with their works.

Shri Kamakhya Prasad Tripathi—In democracy, we have the misfortune of hearing each other. I was merely submitting that they are also trying to reduce the present ceiling. From 150 bighas they are thinking to reduce it and we also are thinking to reduce it. What should be the point of reduction is the question and in this connection some careful thinking is necessary.

I think the hon. Members will agree that they must have come to the conclusion of 60 bighas with deep thinking; we are also trying to come to some figure by deep , and since they are not with us, so, our thoughts are slightly different from this. Possibly if we were in the same party then our thinking might have been co-ordinated. Unfortunately we are in a different parties and therefore we cannot co-ordinate. They should not be very angry with us because our thinking is slightly different from their. They should not call us very regressive or reactionery simply because their figure of eeiling is 60 and ours is 75 or 100. Therefore, Sir, we are handicapped, the Government is handicapped as we are under the correspondence with the Government of India, and this handicap prevents us from forestalling what the Govt. of India might be doing in the matter. If we agree this ceiling, the Govt. of India will think that they write letters to us and we by pass that by bringing amendment from the other side just in the case of Refinery agitation they may say that Chaliha Government has encouraged the refinery agitation from the left hand and are trying to stop it from the right hand.

Shri Dulal Chandra Barua—This propaganda has not been led from the Opposition. This may be done through the Congress.

Shri Kamakhya Prasad Tripathi—How the Comuist Party has supported the Indira Government in the Centre

Shri Phani Bora—It has no relevancy. Sir, the hon. Minister told me that he belonged to the Indira Government and he is trying to join the Syndicate and so he is now ridiculing the whole thing. Sir, the hon. Minister who told me sitting by my side in the gallery of the Parliament that he was in the Indira Gandhi side; he also went to attend the requisitioned meeting of the Congress but by this time he is trying to go to the Syndicate; and he is now ridiculing the political position of the Communist Party.

Mr. Speaker—We should not be dragged into something extraneous than our subject-matter and so I would request the hon. Members to pin-point to our business.

Shri Kamakhya Prasad Tripathi – Sir, on a point of personal explanation – I have attended Delhi requisitioned meeting and I also attended the Bombay Congress Session and I have signed the papers on behalf of the Bombay Congress. So, the hon. Member should know that I cannot change my mind.

Shri Zahirul Islam—Sir, the whole trouble arose from this 'Lubricate group' as we have been told yesterday.

Shri Kamakhya Prasad Tripathi (Finance Minister) – I submit, Sir, the hon. Members should have consideration for us because we are prevented by correspondence I hope the hon. Members will appreciate that we are opposing them not undemocratically or even by the strength of our number but we are prevented because of the correspondence with the Govt. of India.

Mr. Speaker – The question is that the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill. 1969 be taken into consideration.

Ayes—22 ( twentytwo )

1. Sri Abala Kanta Goswami
2. Md. Azad Ali
3. Sri Bhubaneswar Barman
4. ,, Bhaba Kanta Gogoi
5. ,, Dulal Chandra Bora
6. ,, Giasuddin Ahmed
7. ,, Govinda Kalita
8. ,, Jalajuddin Ahmed
9. ,, Kabir Chandra Roy Pradhani
10. ,, Kamini Mohan Sarmah
11. ,, Lakhyadhar Choudhury
12. ,, Moneswar Boro
13. ,, Motilal Kanoo
14. ,, Motilal Nayak

15. ,, Nameswar Pegu
16. ,, Phani Bora
17. ,, Promode Chandra Gogoi
18. ,, Sailen Medhi
19. ,, Sarat Chandra Rabha
20. M. Shamsul Huda
21. Sri Soneswar Bora
22. Dr. Surendra Nath Das

Noes - 48

1. Sri Kamakhya Prasad Tripathi
2. ,, Chatrasing Teron
3. ,, J. B. Hagjer
4. ,, Ramesh Chandra Barua
5. ,, Lakshmi Prasad Goswami
6 ,, Mahendra Nath Hazarika
7. ,, Abdul Matlib Mazumder
8. ,, Biswadev Sarmah
9. ,, Syed Ahmed Ali
10. Srimati Padma Kumari Gohain
11. Sri Prabin Kumar Choudhury
12. ,, Devendra Nath Hazarika
13. ,, Altaf Hossain Mazumder
14. ,, Ranendra Basumatari
15. ,, Dandi Ram Dutta
16. ,, Chatragopal Karmakar
17. ,, Moulana Abdul Jalil Choudhury
18. ,, Ataur Rahman
19. ,, Bazlul Basit
20. ,, Dr. Bhumidhar Barman
21. ,, Bishnulal Upadhyaya
22. ,, Biswanath Upadhyaya

23. „ Dharanidhar Chowdhury
24. „ Durgeswar Saikia
25. „ Gajen Tanti
26. „ Govinda Chandra Bora
27. „ Golok Chandra Patgiri
28. „ Jadu Nath Bhuyan
29. „ Jaganath Sinha
30. „ Jogen Saikia
31. „ Karuna Kanta Gogoi
32. Smt. Lily Sen Gupta
33. Sri Malia Tanti
34. „ Manik Chandra Das
35. „ Mathius Tudu
36. „ Mathura Mohon Sinha
37. „ Mera Chouba Sinha
38. „ Nakul Chandra Das
39. „ Narayan Chandrn Bhuyan
40. „ Prabhat Narayan Choudhury
41. Smt. Puspalata Das
42. Sri Puspadhar Chaliha
43. „ Ratneswar Konwar
44. „ Sadhan Ranjan Sarkar
45. „ Sarat Chandra Goswami
46. „ Surendra Nath Das
47. „ Upendra Nath Sanatan
48. „ Uttam Chandra Brahma

Mr. Speaker—Order, please. The result of the division is :

Ayes—22

Noes—48

The motion is lost.

Shri Dulal Chandra Barua—I have already moved my motion and I have also made my introductory speech.

Mr. Speaker—The motion is for further discussion on the working of Agriculture and Veterinary Department in the State of Assam. Shri Barua spoke and Shri Hiralal Patwary was on his legs. But to-day he is absent. Any other hon. Member willing to speak ?

Shri Kamini Mohan Sarma—माननीय अध्यक्ष महोदय, Agriculture आৰু Veterinary ৰ ওপৰত যি আলোচনা মাননীয় সদস্য শ্ৰীদুলাল বৰুৱাই আনিছে সেই সম্পৰ্কে মই কব খুজিছো। এই কৃষি আৰু ভেটেনাৰি এই বিভাগ দুটা বাস্তৱত এক সঙ্গতি বিহীন অৱস্থা প্ৰাপ্ত হৈছে। আজি স্বাধীনতাৰ পিচৰে পৰা ২২ বছৰে কংগ্ৰেছী শাসনে আমাক কৃষি উৎপাদনৰ ক্ষেত্ৰত যি ৰূপ দিব লাগিছিল সেই ৰূপ দিব পৰা নাই। অথচ আমি আজি সেউজীয়া বিপ্লৱৰ কথা কৈছো। সেউজীয়া বিপ্লৱৰ কথা কেৱল মুখত কলেই নহব; ইয়াক বাস্তৱত ৰূপায়িত কৰিব লাগিব। মই সেউজীয়া বিপ্লৱ সৰ্ব্বান্তঃকৰণে সমৰ্থন কৰো। কিন্তু ২২ বছৰে কংগ্ৰেছী চৰকাৰে কৃষি উৎপাদনত যি ব্যৱস্থা চলাইছে যিমান টকা খৰছ কৰিলে সি কোনো কালেই ফলপ্ৰদ হোৱা নাই। আজি খেতিৰ মাটিৰ পৰিমাণ নানা ভাবে হ্ৰাস পাইছে। মাটিৰ উৎপাদন শক্তিও কমি গৈছে। এই মাটিবোৰৰ উৎপাদন শক্তি বৃদ্ধি কৰিবলৈ ব্যৱস্থা হাতত লব লাগে। নন্দন বন্দন ফছল ফলিব লাগে।

আজি পানী যোগান ব্যৱস্থা যি ধৰণে হৈছে সাৰ প্ৰয়োগ ব্যৱস্থা যি ধৰণে চলিছে সেই পদ্ধতিয়ে বৈজ্ঞানিক ভিত্তিত শস্য উৎপাদন বঢ়াই দেশক শস্যৰ ক্ষেত্ৰত আগুৱাই নিব নোৱাৰে। আজি কাগজে-পত্ৰে আমি বহুত দেখা পাইছো, বক্তৃতাত আমি বহুত শুনিবলৈ পাইছো, বিনয় বৰীয়াকে আদি কৰি সকলোৱে পৰা বিশ্লেষণ, ৰাজহুৱা সভাত মন্ত্ৰী সকলৰ বক্তৃতা আমি সদায়েই পাওঁ; কিন্তু বাস্তৱ ক্ষেত্ৰত হলে একো কাম হোৱা নাই। টকা যিমান খৰছ হৈছে প্ৰকৃত ভাবে কৃষক উপকৃত হোৱা নাই।

খেতিৰ কাৰণে বিশেষ প্ৰয়োজন মাটিৰ উৰ্ব্বৰতা। উৰ্ব্বৰতাতো নায়েই মাটিও নাই। প্ৰকৃত ভুমিহীন কৃষকে মাটি পোৱা নাই। কিছু সংখ্যক লোকে

কৃষকৰ নামত মাটি লৈ সাধাৰণ দুখীয়া খেতিয়কক শোষণ কৰিছে আকৌ কোনো কোনো ঠাইত চৰকাৰৰ দোষৰ কাৰণে মাটিত পানী পোৱা নাই।

উদাহৰণ স্বৰূপে মই যমুনা Irrigation Project ৰ কথাকে কব খুজিছো। যদিও নামত Project কৰিছে আমি বাস্তৱত কি দেখিবলৈ পাইছো? বহুত পৰিয়াল ভূমিহীন হৈ পৰিছে। কাৰণ যমুনা Irrigation Project ৰ বাবে বহুত খাল, ডোং খান্দি বহুত পৰিয়ালৰ মাটি নষ্ট কৰিছে। ইয়াতো খেতিয়কৰ ৩/৪ বিঘা মাটি আছে কিন্তু দীঘলীয়াকৈ খাল খন্দা বাবে মাটি ডবা নষ্ট হৈ গৈছে। ফলত পানীযোগানহে ধৰা হৈছে কিন্তু মাটি নষ্ট কৰিলে খেতি কৰিব ক'ত? আকৌ পানীও সময়মতে যোগান ধৰা নহয়। ধাৰাবাৰ বৰষুণ পৰি থাকিলে ডোঙোৰে পানী যোগান ধৰাৰ কোনো অৰ্থ নাই; আকৌ খৰাং বতৰত খালেৰে পানী অহা বন্ধ হয়। কৃষকসকলে সময়মতে পানী নাপায়।

গতিকে এই বিভাগৰ বিষয় ববীয়া সকলৰ ওপৰত ভালদৰে চকু দিব লাগে আৰু যিবিলাক খেতিয়কৰ খেতি মাটি খাল-ডোং আদিত বন্ধ হৈ গল সেই সকলক মাটি দিয়াৰ বন্দৱস্ত কৰিব লাগে। বিকল্প মাটি নিদিলে দীঘলে দীঘলে গড়খাৰৈ দিয়া মাটিত খেতি কৰিবলৈ ঠাই নাইকীয়া হয়।

মোৰ অঞ্চলত শুক্লা Irrigation Scheme আৰম্ভ কৰিছে। মই Scheme কৰাৰ বিৰোধী নহয়। এই শুক্লা নৈ খনে এই অঞ্চলত বৰ উৎপাত কৰি থাকে। এই নৈ পুঠিমাৰী নদীত পৰিছে। এতিয়া Project ৰ কামৰ কাৰণে অফিছাৰ সকলৰ বাবে ধুনীয়া ধুনীয়া ঘৰ সাজিছে ভাল কথা গতিকে মানুহ আনন্দ পাইছে। কিন্তু খাল, ডোং খান্দি, যি সকল খেতিয়কৰ খেতি মাটিৰ Plot নষ্ট কৰিছে সেই সকলক বিকল্প মাটি দিয়া কাম আৰম্ভ হোৱা নাই। তেওঁলোকক সৰ্ব্বস্বান্ত কৰা হৈছে। পানী যোগান ধৰোতে যদি খেতিৰ মাটিয়েই নাথাকে তেন্তে পানী যোগান ধৰি লাভ কি? কিন্তু মই Project খোলাৰ বিৰোধীতা কৰা নাই। কাৰণ ই অপৰিহাৰ্য্য। মই ইয়াক কব খুজিছো যে মোৰ সমষ্টিৰ পাতিদৰং আৰু তামোলপুৰ অঞ্চলৰ বেতনা মৌজা কমলপুৰৰ কৰৰা মৌজা আৰু পূব কৰাৰীশাল এই ৩/৪ খন মৌজাৰ ভূমিহীন পৰিয়ালবোৰ চিন্তিত হৈ পৰিছে। কাৰণ পুঠিমাৰী, পাগলদিয়া আৰু নোনা নদীৰ মঠাউৰি সাজোতে বহু মাটি নষ্ট হৈ গল কিন্তু তেওঁলোকক কোনো ঠাইতে বিকল্প মাটি নাইবা কোনো ক্ষতিপূৰণ সম্পূৰ্ণভাবে এতিয়ালৈ দিয়া হোৱা নাই।

খেতিৰ পথাৰত যি মঠাউৰি বান্ধিছে খেতিয়ক সকলক তাৰ বিকল্প মাটি বা কোনো ক্ষতিপূৰণেই যথাযথ ভাবে খৰতকীয়া ভাবে দিয়া নাই। এই Irrigation Scheme কৰি খেতিয়কৰ মাজত বাধাৰ সৃষ্টি কৰা হৈছে। খেতিৰ ব্যৱস্থাৰ কাৰণে যদি Irrigation Scheme হয়, তেনেহলে যি পৰিয়ালবোৰৰ মাটিৰ ওপৰেদি এই Scheme খন আহিব এই পৰিয়ালবোৰক বিকল্প মাটি দিব লাগে আৰু লগে লগে ক্ষতিপূৰণ দিব লাগে। যদি লগে লগে ক্ষতিপূৰণ দিয়া নহয় তেতিয়া হলে তেওঁলোকে এইটো থানিব নিদিয়ে। বাধা দিব। ফলত সোনকালে কাৰ্যাকৰী নহব।

Shri Kamakhya Prasad Tripathi—(Minister Finance) বিকল্প মাটি যেতিয়া দিব লাগে ক্ষতিপূৰণ কেনেকৈ দিব?

Shri Kamini Mohan Sarmah—যিবোৰ মাটি সিচৰতি হৈ আছে আৰু যিবোৰত খৰাং বতৰত খেতি নহয়।

Shr Lakshmi Prasad Goswami—Minister ( Agriculture ) যিটো কথা শৰ্মা ডাঙৰীয়াই কৈছে সেইটো Land Revenue আৰু E & D তে পৰে মঠাউৰি কৰিলে পথাৰৰ মাজেদিয়েই যাব কিন্তু মাটি পানী ছুয়োটাই লাগিব। গতিকে এইটো কি কৰা যাব তাৰে এটা বিকল্প পৰামৰ্শ দিলে ভাল হয় যিটো কৰিলে Irrigation ও হব আৰু মাটিও নষ্ট নহব।

Shri Kamini Mohan Sarmah—মাননীয় মন্ত্ৰী মহোদয়ক মই অলপ সহায় কৰিব বিচাৰিছো মোৰ এই কথাখিনিৰ জৰীয়তে যে, এই Scheme কেতিয়াও ফলৱতী নহব আৰু ফলৱতী নহলেই আমাৰ কৃষি উৎপাদন নাবাঢ়িব আৰু মই এই কেৰোণটোৰ কথাই কব বিচাৰিছো। আমাৰ খেতিৰ পথাৰত য'ত খৰাং বতৰত খেতি কৰিব পাৰে, উৎপাদন বঢ়াব পাৰে, সেউজীয়া বিপ্লৱ ফলৱতী কৰিব পাৰে, তাৰ কাৰণেহে Irrigation Scheme অপৰিহাৰ্য্য। এই অপৰিহাৰ্য্য সম্পদ কাৰ্য্যকৰী কৰিব লাগিলে যি খিনি বাধক হৈছে, আৰু যিটো ব্যৱস্থাৰ দ্বাৰা সেই বাধক খিনি আঁতৰাব লাগিব মই এই সূত্ৰতো এই কথা হে কৈছো। এই ব্যৱস্থাটো ফলৱতী কৰিব লাগিলে E & D বিভাগ, Revenue বিভাগ আদি বিভাগবোৰৰ লেঠাবোৰ মাৰিব লাগিব আৰু তেতিয়াহে এইটো ফলৱতী হব, লগে লগে উৎপাদনো বঢ়াতো সহায় কৰিব। যিবোৰ ঠাইত এই ধৰণৰ Irrigation Scheme কৰিব নোৱাৰি বা তাৰ সুবিধা নাই তেনেকুৱা ঠাইত দ'ম ক'ল বহুৱাই পথাৰত পানী যোগান ধৰিব লাগিব।

মাননীয় চেয়াৰমেন মহোদয়, মই বোধকৰো এই কথাটো আগৰ বাজেট অধিবেশনতে কৈছিলো যে Fitter Pipe Tubewell ৰ দ্বাৰা প্ৰায় ১৫০ বিঘা মাটিত পানী যোগান ধৰিব পাৰিব আৰু এটা মেচিনেই দুটা Fitter Tubewll সহায় কৰিব পাৰিব।

Shri Lakhmi Prasad Goswami—১৫০ বিঘাত নহয় মাত্ৰ ১০ বিঘাতহে।

Shri Kamini Mohan Sarmah—সেই কাৰণে আমাৰ খেতিৰ পথাৰবোৰত Fitter Pipe Tubewell ৰ ব্যৱস্থা নাইবা নদী নাইবা দোং বোৰত মেচিন বহুৱাই পানী যোগানৰ ব্যৱস্থা কৰিব লাগে। উদাহৰণ স্বৰূপে মোৰ বজিয়া সমষ্টিত আৰু তেনেকুৱা আনুষাঙ্গিক সমষ্টি আছে, যিবোৰ বানপানী, ধাৰাসাৰ বৰষুন হৈ থাকে আৰু খেতিৰ পথাৰ নষ্ট কৰে আৰু খৰাং বতৰত পানী নাইকিয়া হৈ শুকায় যায়, খেতিয়ক সকলে হা হুমুনিয়াহ কাঢ়ি সেউজীয়া বিপ্লৱ কাৰ্য্যকৰী কৰিব নোৱাৰে। গতিকে খৰতকীয়া ভাৱে আমাৰ এই ব্যৱস্থা হব লাগে। কৃষিৰ উন্নতিৰ নামত এনে ধৰণে বহুতো টকা পইচা খৰচ কৰা হৈছে কিন্তু এই দপ্তৰে সেইবিলাক প্ৰকৃত ভাবে কামত খটুৱাব পৰা নাই।

মাননীয় চেয়াৰমেন মহোদয়, মোৰ কথাখিনি মন্ত্ৰীমহোদয় শুনিব খোজা নাই।

Shri Lakhmi Prasad Goswami—আপোনাৰ কথা বিলাক আগতে আলোচনা কৰি লৈছো।

Shri Kamini Mohan Sarmah—এই সেউজীয়া বিপ্লৱ সাৰ্থক কৰিব লাগিলে আমি আচনি বিলাক যথাযত ভাৱে কাৰ্য্যকৰী কৰিব লাগিব। এতিয়া আমি যান্ত্ৰিক কৃষি পদ্ধতিৰ আচনি লব লাগে। কিন্তু আমাৰ বৰমূৰীয়া অফিচাৰ সকলে যথাযথ ভাৱে কামত খটুৱাৰ ব্যৱস্থা নকৰে। বহুতৰ পৰা Tractor আনে, Filter Pipe Tubewell আনে কিন্তু আচল মেচিন কামত নাহে। মই নানাভাৱে জানিব পাৰিছো যে আমাৰ কৃষি বিভাগৰ বৰমূৰীয়া অফিচাৰ বিলাকে মূল অফিচতে এই বিলাকৰ দম হৈ পৰি আছে। অতি সোনকালে এইটো অনুসন্ধান কৰিবলৈ এটা High Power inquiry ৰ ব্যৱস্থা হব লাগে। এই বিলাক অফিচাৰৰ গাফিলতি বা ষড়যন্ত্ৰ বোলাৰ বাহিৰে আন একোকে বুলিব নোৱাৰি। মেচিন আনে আৰু সেইবিলাক তেওঁলোকেই নাইকিয়া কৰে।

সেউজীয়া বিপ্লৱক গঢ় দিবলৈ ব্যৱস্থা নললে তাৰ পৰা একো হব নোৱাৰে। যদি দেশখনৰ মূল সম্পদ কৃষিৰ অগ্ৰগতি নহয় আৰু যদি দেশখন আগবাঢ়ি নাযায় তেনেহলে দেশখন জহৰনামে যাব। যদি আমি কৃষি ক্ষেত্ৰত পিচপৰি থাকো আজি অইন দেশৰ পৰা খাদ্য নাহিলে আমাৰ জনসাধাৰণে ভোকত কলমলাই থাকিবলগাত পৰে। আজি আমেৰিকাৰ পৰা খাদ্য, Burma ৰ পৰা চাউল আৰু Australia ৰ পৰা ঘেহু আহিলেহে আমাৰ জনসাধাৰণে দুবেলা দুমুঠি খাবলৈ পায়। এতিয়া প্ৰকৃততে চৰকাৰৰ চেষ্টাতেই হওক বা জনসাধাৰণৰ আপ্ৰাণ চেষ্টাতেই হওক আমাৰ কিছু ফচল হৈছে। এই ফচল দেখি আমি গৌৰৱ কৰি বাদ দিলে আৰু গংগাটোপ হলে নহব। ইয়াৰ আগতে যি ছুভিক্ষ হৈ গ'ল সেই ছুভিক্ষ এতিয়া আঁতৰিছে কাৰণ খেতিয়ক সকলে আপ্ৰাণ চেষ্টা কৰি ফচল কৰিছে। এই চৰকাৰৰ কিছু উদ্যোগ হৈছে নাই হোৱা বুলি নকওঁ। কিন্তু যিমান টকা এই শিতানত ধৰা হৈছিল, সেই টকা অনুযায়ী mechanised cultivation ৰ শিতানত টকা খৰছ কৰা হৈছেনে? আমাৰ ৰাজ্যখনক mechanised cultivation ৰ দ্বাৰা আগবঢ়াই নিবলৈ হলে সুচিন্তিত পৰিকল্পনা থাকিব লাগিব। এই mechanised Cultivation ৰ কাৰণে কি কৰিছে মই বান নিয়ন্ত্ৰণৰ মন্ত্ৰী মহোদয়ক যমুনা ইৰিগেচন Scheme ৰ কাৰ্য্যকাৰীতাৰ বিষয়ে সুধিছিলো। কমলপুৰ সমষ্টি, হাজো, ৰঙিয়া, আৰু নলবাৰী সমষ্টিত আজি ২২ বছৰে কংগ্ৰেছৰ ৰাজত্ব কালত জনসাধাৰণৰ কল্যানৰ কাৰণে mechanised Cultivation কোনো ব্যৱস্থা দেখা নাই। আজি ছুই বছৰে পাতিদৰং মৌজাৰ মুকুলপুৰ গাৱত খেতি হোৱা নাই। তাৰ ৰাইজে আবেদন নিবেদন কৰি আহিছে মুকুন্দ পুৰ গাৱত কৃষি বান্ধটো নিৰ্ম্মাণ কৰাৰ কাৰণে তাৰ হতভাগা ৰাইজক সেউজীয়া বিপ্লৱত সহযোগিতা কৰাৰ পৰা বঞ্চিত কৰিছে। তাৰ পিচত পাতিদৰংৰ ৰাইজে সেউজীয়া বিপ্লৱৰ কথা খবৰৰ কাকতত পঢ়ি হুমুনিয়াহ কাঢ়ে, যমুনা ইৰিগেচনৰ কোনো ব্যৱস্থাই কৰা নাই। জানেদি গোটেইখিনি পানী উলাই গুচি যায়। তাত Sluicegate ৰ কাৰণে আবেদন কৰি আহিছে অথচ তাত কোনো ব্যৱস্থা কৰা নাই। পুঠিমাৰী নদীত মেচিন বছৰাই যান্ত্ৰিক পদ্ধতিত ইৰিগেচন ব্যৱস্থা কৰিবৰ কাৰণে আবেদন কৰি আহিছে। যথাযথ ভাৱে সেউজীয়া বিপ্লৱ কাৰ্য্যকৰী কৰিবলৈ হলে Irrigation Scheme ৰ যোগেদি পানী যোগানৰ ব্যৱস্থা কোন অঞ্চলত হব লাগে তাৰ Inquiry হব লাগে। সেউজীয়া বিপ্লৱ কাৰ্য্যকৰী কৰিবৰ কাৰণে কি ধৰণে সহায় কৰিব পাৰো পৰামৰ্শ আগবঢ়াব পাৰো এই বিলাক হব লাগে। ৰঙিয়া আঞ্চলিক পঞ্চায়তত তুইশ বিঘাৰ এখন Firm কৰিছে Tubewell দিলে। মই দাবী কৰিছিলো ৰঙিয়া

কলেজত এটা কৃষি বিষয় দিব লাগে Tube well বহুৱাব লাগে। এবিঘা মাটিত ৩ বিঘা মাটিৰ সমান ফচল কৰাৰ বাবে উৎসাহ যোগাব লাগে। ধান চপোৱা সময়ত ধানৰ দাম কমি যায়। গতিকে খেতিয়কসকলে যাতে ফচলৰ ওপৰত উচিত মূল্য পায় তাৰ প্ৰতি নজৰো দিব লাগে। অসমৰ কৃষকে বহু ঠাইত গম খেতি কৰিব লৈছে। খেতিয়ক সকলে যাতে ভাল বীজ পাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। নগজা বীজৰ দ্বাৰা কৃষিৰ উৎপাদন বাঢ়িব নোৱাৰে। I A R খেতিত ভাল পাইছে বুলি নানা প্ৰচাৰ হৈছে যাতে ইৰিগেচনৰ দ্বাৰা খেতিৰ বেছি উপযোগী হব পাৰে তাৰ ব্যৱস্থাও কৰিব লাগে। ঠাই বিশেষে এই বীজ বিলাকৰ নাম বেলেগ বেলেগ। যেনে ফুল গাজ। ই এবিধ উৎকৃষ্ঠ বীজ। ভাদ বা আহিন মাহত ৰুলেও এই ধান ভাল হয়। দমাটিত আৰু ওখ মাটিত ও পানী থাকিলে এই ধান হয়। ফুল গাজৰ প্ৰচাৰ ব্যাপক ভাবে চলাব লাগে। আমাৰ অতীতৰ উৎকৃষ্ঠ বীজবোৰ বাদ নিদি সেই বোৰ বথাৰ উপৰিও মনোহৰ শালী আদি প্ৰচলন কৰিব লাগে। সেই ধৰণে আহু ধানৰ বেলিকাও তেনেকিছুমান উৎকৃষ্ঠ বীজ আছে যিবোৰৰ পৰা আমি ভাল ফল পাওঁ।

মাননীয় চেয়াৰমেন মহোদয়, মই এতিয়া Veterinary সম্বন্ধে অলপ কম। Veterinary বিভাগটো আজি অৱহেলিত বিভাগ হৈ পৰিছে। খেতিয়ক সকলৰ অপৰিহাৰ্য্য সম্পদ বস্তু হৈছে তেওঁলোকৰ হালোৱা গৰু হাল। নিজৰ লৰাৰ দৰে মৰম কৰে। এই গৰু হালৰ বেমাৰ হলে ভাল কৰিবৰ উপায় বিচাৰি ব্যাকুল হৈ পৰে। হালৰ গৰু হাল হৈছে ঘৰখনৰ মূল বস্তু। কাৰণ গৰু হালৰ ওপৰতে পৰিয়ালটো ই নিৰ্ভৰ কৰে। আজি কালি বহু পশু চিকিৎসালয়তে গৰুৰ বেমাৰৰ দৰব নাই আন কি চৰকা বেমাৰৰ ঔষধো নাই। আমাৰ Veterinary Hospital বোৰত ঔষধ নাথাকে। যোৱাবাৰ বহাগ মাহত মোৰ ঘৰৰ গাইজনীৰ বেমাৰ হ'ল আৰু বাইজৰ বহুতৰে হৈছিল, মই Hospital ত গৈ খবৰ কৰিলো কিন্তু যথাযথ ঔষধ তাত নাই।

(সময়ৰ সংকেত)

মাননীয় চেয়াৰমেন মহোদয়, এই veterinary বিভাগত যিবিলাক কৰ্মচাৰী তেওঁলোকে যথাযথ ভাবে দৰ্মহা নাপায়, allowance নাপায়। তেনেহলে সেই বোৰ যথাযথভাবে যদি নাপায় তেওঁলোকে আন্তৰিকতাৰে বা আগ্ৰহেৰে কেনেকৈ চিকিৎসাত আত্মানিয়োগ কৰে। অথচ এওঁলোকৰ যথেষ্ঠ কাম। মানুহৰ দৰে গৰুকো এওঁলোকে সমানে মৰমেৰে চিকিৎসা কৰিব লাগে। এজনী গাই গৰুৰ

পোৱালী বাহিৰ কৰিব লগীয়া হলে তেওঁলোকে কিমান পৰিশ্ৰম কৰিব লগীয়া হয়। তেওঁলোকৰ পৰিশ্ৰম অনুযায় মজুৰী নাপায়। অনাটাইৰ পৰা যেনেকৈ Blood আনিছে তেনেকৈ আমাৰ ইয়াতো Bloodৰ প্ৰচলন কৰিব লাগে। তুই এখন হস্পিটলত Sement সংগ্ৰহ কৰিছে কিন্তু ৰাখিবলৈ কোনো Scientific ব্যৱস্থা নাই। যিবোৰ কৰ্মচাৰী সেই কৰ্ম্মচাৰীবোৰে লঘোনে কাম কৰিব লগীয়া হৈছে। তেওঁলোকে Associationৰ যোগেদিও দাবী কৰিছে কিন্তু মন্ত্ৰী মহোদয় সকলে কাম কৰা নাই। মোৰ পৰামৰ্শ হ'ল যে পশু বিভাগৰ কাৰণে বেলেগ এজন মন্ত্ৰী ৰাখিব লাগে।

(সময়ৰ সংকেত)

কৰ্মচাৰী সকলে চাইকেল Allowance পাব লাগে। তেওঁলোকে আজি ৩ বছৰে T.A. বা চাইকেল Allowance নোপোৱাটো দুখৰ কথা। গতিকে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে তেওঁলোকে প্ৰাপ্য খিনি পায়।

(সময়ৰ সংকেত)

মানুহ যেনেকৈ মৰমিয়াল ঠিক তেনেকৈ গৰুহালো মৰমৰ। গৰু হাল আৰু হালোৱা খেতিয়ক জন নহলে পৰিয়ালটো কেতিয়াও বাচিব নোৱাৰে। গতিকে মাটি হীন খেতিয়কক মাটি দিব লাগে, খেতিয়ক সকলৰ যাৰ গৰু কিনাৰ অভাৱ তেওঁলোকক Loan দিয়াৰ ব্যৱস্থা কৰিব লাগে।

(সময়ৰ সংকেত)

এই খিনি কথাত বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Bhubaneswar Barman—माननीয় চেয়াৰমেন মহোদয়, Veterinary—Agriculture সম্বন্ধে যিটো মোচন আনিছে সেই সম্পৰ্কে কব বিচাৰিছো।

কৃষি, E & D আৰু Veterinary এই তিনিটা বিভাগে যি ধৰণে বৈপ্লৱিক পদ্ধতিত আগবাঢ়িব লাগিছিল ঠিক তেনেকৈ আগবাঢ়িব পৰা নাই। এই তিনিটা বিভাগৰ মাজত কোনো সমন্বয় নাই। আমাৰ চৰকাৰৰ কিন্তু এই বিভাগ কেইটাৰ কাৰণে এটা সুচিন্তিত আচনিৰ অভাৱ। মাটি সমস্যাই হৈছে আজি ডাঙৰ সমস্যা।

আজি যি বিলাক আচনি কৃষক সকলক উৎসাহ দিবৰ কাৰণে কৃষি বিভাগে পঞ্চায়তৰ জৰিয়তে কৰিছে, সেই বিলাক কৃষক সকলক উৎসাহিত কৰিবৰ কাৰণেই কৰিব লাগে আৰু যাতে তাৰ দ্বাৰায় কৃষক সকলক জীয়াই থাকিবলৈ সুবিধা দিয়া হয় তাৰ ব্যৱস্থা কৰিব লাগে। কৃষকৰ মাটি বিলাক মটৰ-উৰি বা National High Wayৰ কাৰণে ব্যৱহাৰ কৰা যায় তেন্তে সেই কৃষক সকলে কত উৎপাদন কৰিব?

আৰু এটা কথা আমাৰ চৰকাৰে যি বিলাক লোকক প্ৰগতিশীল খেতিয়ক বুলি পুৰস্কাৰ দিয়ে তাৰ শত কৰা ৯০ জনেই খেতিয়ক নহয়। তেওঁলোকৰ ব্যৱসায় কি চৰকাৰে চাব লাগে। আৰু যি টকা পইচা দিয়ে সেইটো প্ৰকৃত খেতিয়কেহে পাব লাগে।

Shri Lakshmi Prasad Goswami—মাননীয় সদস্য প্ৰকৃত খেতিয়কে পুৰস্কাৰ নোপোৱা বুলি কৈছে।

Shri Bhubaneswar Barman—আমি যদি প্ৰকৃততে অধিক শস্যৰ উৎপাদন কৰিব খোজো তেনেহলে আমি অচিৰেই জলসিঞ্চনৰ ব্যৱস্থা হাতত লব লাগিব। আজি আমাৰ যি বিলাক নৈ, জুৰি, খালডুং আছে এই বিলাকত বান্ধ দি অসমৰ খেতিয়ক সকলৰ কাৰণে জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে।

Shri Lakshmi Prasad Goswami—কথাটো হৈছে আপুনি পুৰস্কাৰ বিতৰণৰ ক্ষেত্ৰত আসুৱাহ আছে বুলি কৈছে, আপুনি তেনে ধৰণৰ কেইটামান উদাহৰণ দিয়ক। উদাহৰণ দিলেহে মই সেই বিলাক কথা Inquiry কৰি লৈ মই উত্তৰ দিওঁতে সেই বিলাক কথাৰ ব্যাখ্যা দিয়াত সুবিধা হব।

Shri Bhubaneswar Barman—বিষয়া সকলৰ হাতত তেনে পুৰস্কাৰ লিষ্ট আছে। সেই লিষ্ট চালেই দেখা পাব সেই মানুহ বিলাকৰ ব্যৱসায় কি? মই দুই এজন মানুহ বা ২/১ টা সমষ্টিৰ কথা কব খোজা নাই। মই গোটেই অসমৰে কথা কৈছো। গতিকে সেই লিষ্টথন চালেই মন্ত্ৰী মহোদয়ে জানিব পাৰিব।

Shri Lakshmi Prasad Goswami—মাননীয় সদস্যয় কৈছে যেতিয়া সেইটো মই সচা বুলিয়েই ভাবো।

Shri Bhubaneswar Barman—আজি আমাৰ নৈ, জান, জুৰিত বান্ধ দি জলসিঞ্চনৰ ব্যৱস্থা কেনেকৈ কৰিব পৰা যায় তাকেহে চিন্তা কৰিব লাগে। আমি

কাগজে পত্রয় দেখিবলৈ পাওঁ; আৰু তেখেত সকলৰ প্ৰচাৰ বিভাগে প্ৰচাৰ কৰিছে, বিঘায় প্ৰতি ৪০ মোন ৩০ মোন ২০ মোন ধান উৎপন্ন হৈছে। কিন্তু ৩/৪ মোন ধানো উৎপন্ন হৈছে। যদি জলসিঞ্চনৰ আঁচনি হাতত লয়, তেন্তে কমেও গড়ে ১০ মোন কৈ ধান বিঘায় প্ৰতি উৎপন্ন কৰিব পৰা যাব।

আন হাতে মই আৰু এটা কথা কব বিচাৰিছো, আৰু মই দাবী কৰিছো— পোন প্ৰথমতে আমাৰ খেতিয়ক সকলৰ মাজত 'Agricultural Insurance'ৰ ব্যৱস্থা কৰিব লাগে। এই Insurance ব্যৱস্থাৰ কাৰণে আজি আমাক আশ্বাস দিব লাগিব। আৰু লগে লগে তেওঁলোকে যি খিনি মাটি থায় আছে, তাৰ পৰা যাতে তেওঁলোকে উৎচ্ছেদ কৰিব নোৱাৰে তাৰ বাবে কৃষি বিভাগ তৎপৰ হব লাগিব। আৰু E & D বিভাগে মাঠাউৰিৰ কাৰণে যি বিলাক মাটিত খাল আদি খান্দি খেতিৰ অনুপযোগী কৰিছে সেই বিলাকৰো বিকল্প ব্যৱস্থা কৰিব লাগে। আৰু শ্ৰীকামিনী মোহন শৰ্ম্মা ডাঙৰীয়াই কোৱাৰ দৰে জল-সিঞ্চনৰ ব্যৱস্থাৰে মাটিহীন মানুহৰ মাটি বিলাক নষ্ট নকৰি সৰু সৰু জলসিঞ্চ-নৰ ব্যৱস্থা কৰিব পাৰে; তাৰ বাবে যেন চৰকাৰে বিশেষ ভাবে চিন্তা কৰে। কাৰণ এইদৰে ৰাষ্টা-ঘাট, মাঠাউৰী বাবে তুখীয়া খেতিয়কৰ মাটি লৈ যোৱাত, তেখেত সকলৰ অৰ্থনৈতিক ক্ষেত্ৰত বিশেষ ভাবে বাধা পৰিছে। আজি আমাৰ হিৰা, বণীয়া, সোণাৰী আদি লোক সকলে নিজৰ ব্যৱসায় বন্ধ হৈ যোৱাত খেতি পথাৰলৈ ওলায় আহিছে। তেখেত সকলৰো নতুন কিছুমান সমস্যা আহি পৰিছে। আজি খেতিৰ কাৰণে উন্নত ব্যৱস্থা ললেই বহুত খেতিয়কৰ লগত নিবনুৱা ডেকা সকলৰো কৰ্ম্ম সংস্থানৰ ব্যৱস্থা কৰিব পাৰে; আৰু সুন্দৰ, সুচল কৰি খেতিৰ উৎপাদন বঢ়াব পাৰে। আজি মঠাউৰী বিলাকৰ মাজত হাজাৰ হাজাৰ বিঘা মাটি পৰি আছে—সেই বিলাক মাটিত বৰষুণ নহলে খেতি কৰিব পৰা নাযায়। সেই বিলাক মাটি জলসিঞ্চনৰ দ্বাৰা খেতিৰ উপ-যোগী কৰিব লাগে আৰু যাতে খৰালিতও সেই বিলাক মাটিত খেতি কৰিব পৰা যায় তাৰ বাবে ব্যৱস্থা হাতত লব লাগে। আৰু চৰকাৰে এইটো কথা বিশেষ ভাবে চাব লাগে যাতে জলসিঞ্চনৰ ক্ষেত্ৰত আমি স্বাৱলম্বী হব পাৰো। আমি কাগজে পত্ৰয় কিছুমান কথা দেখি আহিছো অতি সাধাৰণ মানুহ যেনে মাষ্টৰ, মহৰী, সৰু সৰু ব্যৱসায়ী আদিয়ে খেতিৰ কাৰণে উৎসাহ দি আহিছে। তেওঁলোকে নিজেও খেতি কৰিবলৈ আৰম্ভ কৰিছে এইটো অবশ্যে বৰ সুখৰ কথা। কিন্তু মই কব বিচাৰিছো যে খেতিৰ কাৰণে অবশ্যে সকলোৰে কাৰণে টেক্টৰৰ যোগান ধৰা সম্ভৱ নহয়। আৰু টেক্টৰ আনিলেও ব্যৱহাৰ নকৰে।

গতিকে এইদৰে হাজাৰ হাজাৰ টকা অপব্যয় নকৰি গৰু কিনা, সাৰ কিনা আদিৰ কাৰণে দুখীয়া খেতিয়কক সহায় কৰিব লাগে। আৰু যদি Tractor ৰ ব্যৱস্থা কৰে তেনেহলে মই ভাবো আমাৰ নিবনুৱা সমস্যাবো বৃদ্ধি হব। আৰু এটা কথা, আমাৰ কৃষিৰ লগতে Veterinary Depertment টোও উন্নত কৰিব লাগে। আজি কিছুমান Block ত সাৰৰ মজুত আছে। যি বিলাক সাৰ খেতিত দিলে খেতি বাঢ়ক চাৰি শষ্যৰ গছ বিলাক মৰিহে যায়। সাৰ বিলাকৰ কাৰণে আমাৰ চৰকাৰৰ কিমান টকা খৰচ হৈছে—তাৰ কিমান টকাৰ সাৰৰ পৰা উপকাৰ হৈছে সেইটো চাব লাগে, নহলে তাৰ পৰা কোনো উপকাৰ পোৱা নাযাব।

এই সাৰবিলাক যে কিনি আনে সেইবিলাকৰ যিহেতু প্ৰকৃত ব্যৱহাৰ নহয় আৰু তাৰ পৰা খেতিয়কসকল যথেষ্ট উপকৃত হবলৈ নেপায় গতিকে খেতিৰ অপৰিহাৰ্য্য গৰু বিলাক ভাল কৰাৰ কাৰণে কৰা চেষ্টাহে বেছি ভাল কথা হব। সাৰ আদি যোগানৰ ক্ষেত্ৰত যিবিলাক আচনি লোৱা হয় এই বিলাক আঁচনিত কেৱল টকাহে খৰছ হৈছে কিন্তু প্ৰকৃতপক্ষে বাস্তৱক্ষেত্ৰত কি লাভ হৈছে তাৰ এটা জৰীপ কৰিব লাগে। কেৱল Agricultural head ত লাখ লাখ টকা খৰছ হোৱাটো বাজেতত দেখা পোৱা যায়। কিন্তু কৃষি ক্ষেত্ৰত, Seed Corporation যোগেদি যিমান ধন খৰচ হৈছে তাৰ দ্বাৰা কিমান ধৰণে মানুহ উপকৃত হৈছে বা কিমান লাভ বা লোকচান হৈছে সেইটো চৰকাৰে এটা বিবেচনা কৰা দৰ্কাৰ। পানী যোগানৰ ক্ষেত্ৰত যিবিলাক কৃষি পাম্প ৰাখিছে এই কৃষি পাম্প বিলাকৰ যোগেদি চৰকাৰে যিখিনি উৎপাদন কৰাব পাৰিব লাগিছিল, vetenriary আদি বিভাগৰদ্বাৰা মানুহক যি ধৰণেৰে অনুপ্ৰাণিত কৰিব পাৰিব লাগিছিল, সেই ধৰণেৰে মানুহক অনুপ্ৰেৰণা যোগাব পৰা নাই। মানুহৰ মাজত অভুতপুৰ্ব্ব জাগৰণৰ সৃষ্টি কৰিব পৰা নাই। এই Agricultural farm বিলাকত কাম কৰা বনুৱা বিলাকক দৈনিক ২।৩ টকা হাজিৰা দিয়া হয়। আজিৰ যুগত বস্তুৰ অগ্নিমূল্য দামৰ যুগত এজন বনুৱাৰ দৈনিক ২।৩ টকা হাজিৰাবে কুলাব নোৱাৰে। সেইকাৰণেই মই কেইটামান পৰামৰ্শ দিব খোজো যে যিসকল হাজিৰা কাম কৰা মানুহ তেওঁলোকক দৈনিক ৪।৫ টকা বেতন দিয়া উচিত। তাকে কৰিলে ফাৰ্মত কাম কৰা এই বনুৱা সকল যথেষ্ঠ উপকৃত হব।—আন এটা প্ৰথা মতে কামকৰা গাঁওলীয়া মানুহ বিলাকক প্ৰত্যেককে দৈনিক ২ পাল্লাকৈ ধান দিয়াৰ এটা ব্যৱস্থাও আছে। এই ফাৰ্মত কামকৰা মানুহবিলাকে যাতে নিশ্চিন্ত হৈ ফাৰ্মত কাম কৰিব পাৰে তাৰ কাৰণে যথেষ্ঠ পৰিমাণে অনুপ্ৰেৰণা তেওঁলোকক দিয়া দৰ্কাৰ। Seed Corporation ৰ যোগেদি Seed বা বিধান

খেতি-পথাৰত দিয়াৰ বিশেষ ব্যৱস্থা হাতত লবলাগে আৰু বিজুলী শক্তিয় দ্বাৰা জলসিঞ্চন আচনিৰে খেতিকৰাৰ ক্ষীপ্ৰ আচনি কৃষি বিভাগে হাতত লব লাগে। চৰকাৰৰ সংশ্লিষ্ঠ বিভাগক কেইটামান পৰামৰ্শ দিব খোজো। কালদিয়া আৰু পহুমৰা এই দুই থন নদীৰ যোগেদি গাওঁলীয়া অঞ্চলত বিজুলীৰ জৰিয়তে খেতি পথাৰত পানীৰ যোগান ধৰাৰ এটা পৰামৰ্শও দুই এজন সদস্যই দি কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি থৈছে। বিভাগীয় কমিশ্যনাৰো দৃষ্টি আকৰ্ষণ কৰিছিল। পহুমৰা আৰু কালদিয়া এই দুথন নদীৰ পৰা বিজুলীৰ দ্বাৰা জলসিঞ্চনৰ ব্যৱস্থা কৰিলে গোটেই অঞ্চলতে কৃষি উৎপন্ন অধিক হৈ পৰিব।
ইয়াকে কৰিলে কামৰূপ জিলাৰ বিশেষকৈ বৰপেটা মহকুমাৰ খেতিয়ক সকলক পানীযোগান ধৰাত সক্ষম হব। বিজুলী শক্তিৰে শষ্যক্ষেত্ৰত পানীযোগান আচনিৰ বিবেচনা কৰিবলৈ মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই সামৰিলো আজিলৈ আৰু এই Motion টো সমৰ্থন কৰিলো।

Shri Narayan Chandra Bhuyan —মাননীয় চেয়াৰমেন মহোদয়, আজি কৃষিৰ ক্ষেত্ৰত আমাৰ দেশ সম্পূৰ্ণৰূপে আত্মনিৰ্ভৰশীল হৈ উঠা দেখা গৈছে। আমাৰ দেশ কৃষি প্ৰধান দেশ। আমি যোৱা বছৰতে দেখা পাইছো আমাৰ দেশ কৃষিৰ ক্ষেত্ৰত বহুত খিনি আগবাঢ়ি গৈছে। কৃষিৰ কাৰণে লাগতিয়াল সকলো ধৰণৰ সা-সুবিধা আমাৰ চৰকাৰে খেতিয়ক সকলক দিয়া উচিত; আৰু এই ক্ষেত্ৰত চৰকাৰে যথেষ্ট চেষ্টাও কৰি আহিছে। কিন্তু আগৰ খেতিয়কক যিমান খিনি সুবিধা দিব লাগিছিল সিমানখিনি সুবিধা দিব পৰা নাই। আকৌ খেতিৰ ফচল ধান বজাৰ দৰতকৈ কম দামত বিক্ৰি হোৱাটো আমাৰ খেতিয়ক-সকলৰ কাৰণে বৰ দুখৰ কথা। আঘোণ-পুহ মাহত ধানৰ দাম কমি ১৪/১৫ টকা হোৱা বাবে আৰু Apex Marketing Society এ ধান সংগ্ৰহ কৰা বাবে খেতিয়কে ধানৰ মূল্য কম পোৱাটো উচিত কথা নহয়। ইয়াৰ বাবে তেওঁলোকক উপযুক্ত সুবিধা দিব লাগে যাতে তেওঁলোকে খেতিৰ ফচলৰ উপযুক্ত মূল্য পায়।

আজি বহুত খেতিয়কে চৰকাৰৰ ফালৰ পৰা দিয়া সুবিধা ঠিকমতে পোৱা নাই। সেই সুবিধা তেওঁলোকে ঠিকমতে পোৱা উচিত। বিশেষকৈ জলসিঞ্চন ব্যৱস্থাত চোকা নজৰ দিব লাগে। এই ব্যৱস্থাত পঞ্চায়তৰ হাতত দিয়া ভাৰ বেছি ভাগ ঠাইতেই অকৃতকাৰ্য্য হোৱা বুলি অভিযোগ আমি শুনিবলৈ পাইছো। ইয়াৰ বাবে চৰকাৰে লক্ষ্য ৰখা উচিত।

দ্বিতীয় কথা হৈছে বিজুলী শক্তি যোগান। এই ব্যৱস্থাতো চৰকাৰে মনোযোগ

দিব লাগে। জলসিঞ্চন আৰু বিদ্যুৎৰ ভাল যোগান হলে কেইবাটাও খেতি কৰা খেতিয়কসকল উপকৃত হব বুলি মোৰ বিশ্বাস।

খেতিয়কসকললৈ দিয়া ঋণ সময়মতে নোপোৱাৰ কাৰণে বহুতো অসুবিধা হয়। গতিকে এই ঋণৰ টকা যাতে সময়তে পায় আৰু লাগতিয়াল বস্তু কিনিব পাৰে, গৰু বা অন্যান্য আহিলা-পাতি কিনিব পাৰে তাৰ প্ৰতি নজৰ দিব লাগে। তেজপুৰৰ বাঘমাৰী ফাৰ্মত আজি ২০/২৫ বছৰে লোকচান হৈ আছিল কিন্তু যোৱা ৩/৪ বছৰৰ পৰা কিছু উন্নত হৈছে। মেনেজাৰ জনৰ কৰ্ম্ম কুশলতাৰ কাৰণে যোৱা এবছৰত ৫০ হাজাৰৰো বেছি টকা লাভ হৈছে। গতিকে দেখা যায় চৰকাৰী ফাৰ্মৰ কৰ্ম্মকৰ্ত্তাৰ অমনোযোগীতাৰ বাবেহে ফাৰ্মত লোকচান হয়। তেজপুৰৰ বাঘমাৰী ফাৰ্মৰ ওপৰত ৩/৪ বছৰৰ আগতে থকা ৰাইজৰ অভিযোগ আজি নাইকীয়া হৈছে। সেই ফাৰ্মত আৰু কিছুমান অসুবিধা আছে সেই বিলাক চৰকাৰৰ ফালৰ পৰা দূৰ কৰিব বুলি মই আশা কৰিছো।

Poultry পোহা ক্ষেত্ৰত আমি তেজপুৰত যিখিনি কাম দেখিছো সি বৰ সন্তোষজনক। আজি জনা-শুনা লোকেও poultry পোহা কাম আৰম্ভ কৰিছে। আমি এবছৰতে তেজপুৰৰ ৰাইজৰ মাজত যি আগ্ৰহ দেখা পাইছো আজিৰ পৰা ৫ বছৰৰ পিচত তেজপুৰ Poultry পোহা বিষয়ত বহুত উন্নত হব বুলি মই বিশ্বাস কৰো। তাৰ পাচত জলসিঞ্চনৰ কাৰণে যি বিলাক Power Pump দিয়া হৈছে সেই বিলাক যদি ভাল ভাবে খেতিৰ পথাৰত পানী যোগানৰ কামত ব্যৱহাৰ কৰা হয় তাৰ পৰা বহুতো লাভ হব; আৰু সেইবিলাক পঞ্চায়তৰ জমীনতে ব্যৱহাৰ কৰা হৈছে। বহুতো মানুহে এই Power Pump ৰ ঠাইত Holler মেচিন ব্যৱহাৰ কৰিছে। এইটো বৰ দুখৰ কথা। মানুহে Holler মেচিনৰ বহুতো Permit লৈছে আৰু সেই Permit মেচিনৰ কামত ব্যৱহাৰ কৰিছে। Power Pump কৃষি বিভাগে দিছে হয় কিন্তু তাৰ বিপৰীতেহে কাম দিছে। সেই কাৰণে মই আশা ৰাখিছো চৰকাৰে এইটোত মনোযোগ দিব।

তাৰ পাচত আমাৰ যিটো বীজ নিগম আছে এই টাৰে সময়মতে কৃষকক বীজ দিব নোৱাৰে বুলি বহুতো অভিযোগ মই শুনিবলৈ পাইছো আৱশ্যে এই সম্পৰ্কে মই নাজানো। যদি বীজ নিগমে সচাঁকৈয়ে উন্নত বীজৰ যোগান সময় মতে দিব নোৱাৰে এইটো বৰ দুখৰ কথা। এই বিষয়টো মনোযোগ দিব বুলি মই আশা ৰাখিছো।

বিশেষ মোৰ আৰু কবলগীয়া নাই। মাত্ৰ এইটোকে আশা ৰাখিছো যে, কৃষিক্ষেত্ৰত যিমান পাৰে সিমান উন্নতি কৰিব লাগে। আৰু তাকে কৰিবলৈ সেই মতে সা-সুবিধাও দিব লাগিব। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*Shri Soneswar Bora—माननীয় চেয়াৰমেন মহোদয়, এই মোচনটো যদিও আগৰ অধিবেশনতে উত্থাপন কৰা হৈছিল কিন্তু আমাৰ কৃষি আৰু ভেটেনেৰীৰ উন্নতি অকনো পৰিলক্ষিত নহল। এই বিষয়টোত অলপ আলোচনা কৰিব লাগিব। অসমৰ কৃষিৰ উন্নতিৰ কাৰণে য'ত কৃষিয়েই মূল কথা তাত বিশেষ ভাৱে নজৰ দিব লাগে। মূল কথা হৈছে—কৃষিৰ কাৰণে মাটি, আহিলা-পাতি বতৰ ভাল মঁচ আদি প্ৰভৃতি কেইটামান অপৰিহাৰ্য্য বিষয় আছে এই কেইটা কথা বাদ দি আমি কৃষিৰ কথা ভাবিব নোৱাৰো। যি থন অসম ৰাজ্যত আজি ৰাজধানীত কৃষিৰ বক্তৃতা দিছো সেইথন ৰাজ্যত আজি আমাৰ বিশেষকৈ জনসাধাৰণৰ খেতিয়ক ৰাইজৰ মাজত কিমান জন খেতিয়ক ৰাইজৰ মাটিবাৰী নাইকিয়া হল সেইখিনি খেতিয়কৰ নাম বোধহয় মন্ত্ৰীমহোদয়ে নাজানে। গতিকে এই চৰকাৰে কৃষিৰ উন্নতিৰ কথা ভাবিব পাৰেনে? মোৰ বন্ধু সদস্য এজনে মাটিৰ কথা কওতে কৃষি মন্ত্ৰী ঠিয় হৈছিল যে এইটো ৰাজহ বিভাগৰ কথা। কিন্তু কৃষিক বাদ দি যেনেকৈ ৰাজহ হব নোৱাৰে তেনেকৈয়ে কৃষিক বাদ দি ৰাজহ হব নোৱাৰে। যদিও জলসিঞ্চন মন্ত্ৰী বেলেগে হব, পৰিবহন মন্ত্ৰী বেলেগ হব তথাপিও এই জলসিঞ্চন আৰু পৰিবহন বাদ দি কৃষি হব পাৰে বুলি মই কব নোৱাৰো। যদি আমি এটাৰ বিষয়ে আলোচনা কৰো আতাইকেইটা বিষয়েই আলোচনাৰ ভিতৰত কৃষিত যি কৰ-কাটল লগাই তাত কৃষি উৎপাদনৰ কথাও জড়িত থাকে। আজি আমি দেখিছো অসমত কৃষকে বেছি শস্য উৎপাদন কৰিছে বুলি মুখ্য মন্ত্ৰী আৰু যোগান মন্ত্ৰীয়ে বৰ জয়ঢোল কোবাইছে। এই কথা সঁচা যে বহুতো মানুহে ভিক্ষা কৰিবলৈ এৰিছে বিশেষকৈ স্থানীয় খিলঞ্জীয়া মানুহে তাৰ কাৰণে চৰকাৰৰ পক্ষৰ পৰা কিছু কাৰ্য্য ভোগ কৰিছে। ইয়াৰ কাৰণ হৈছে অন্ততঃ Grazing চৰকাৰী মাটি Forest Reserve আপোনালোকৰ মতে যি বেদলকাৰী আমাৰ মতে তেখেতসকলেই নাৰ্য্য প্ৰাপ্তকৰ্ত্তা। ৰাইজে মুঠ বান্ধি হাবি-বন কাটি এমুঠি অন্নৰ কাৰণে চৰকাৰী পতিত মাটি ভাঙিলয় আৰু তাৰ পৰিনামত চৰকাৰে তেওঁলোকক উচ্ছেদ কৰে। য'ত কৃষি সম্পৰ্কীয় কথা আছে, য'ত farm ৰ কথা আছে তাতেই সমবায়ৰ কথা আহে।

*Speech not corrected

সেই কাৰণেই এই ৰাজধানীখন ইয়াতে থকাৰ কোনো অৰ্থ নাই। এই ৰাজধানীৰ আজি ২২ বছৰেও এই চৰকাৰে লোভ এৰিব পৰা নাই। এই ৰাজধানীৰ সোৱাদ আজি ২২ বছৰে আমাৰ সৰ্ব্বসাধাৰণ ৰাইজে ভোগ কৰিব পৰা নাই। আজি অফিচত য'ত হাজাৰ হাজাৰ File চুকত পৰি গেজেপ খাই আছে আজি যদি নাই সেইবিলাক জুই লগাই দিও তেতিয়া হলে তাৰ পৰা খেতিয়ক ৰাইজৰ কিবা অপকাৰ হব পাৰে বুলি মই ভাবিবলৈ অৱকাশ নেপাও।

আজি অফিচত যিমান ডাঙৰ ডাঙৰ অফিচাৰ ইংলণ্ড আমেৰিকাত পঢ়ি শুনি আহিও আজি একো লাভ হোৱা নাই।

Mr Chairman : I am sorry to interrupt, there is no quorum in the House. We shall wait for three minutes. If there is quorum, we shall continue otherwise not.

Shri Soneswar Bora : কৃষিৰ নিচিনা সাধাৰণ কথাবোৰ নুবুজাত হে সচাঁকৈয়ে দুখ লাগে।

কিন্তু আজি এটা কথা ঠিক যে এই গান্ধীদেশত যদি কৃষি শিক্ষা দিয়াৰ ব্যৱস্থা হলহেতেন সেইবোৰ অফিচাৰৰ দ্বাৰা বহুতো কাম হ'ল হেতেন। আজি যিসকল অফিচাৰ, যি আজি খেতিৰ একো নাজানে বা যাৰ চৌদ্ধ পুৰুষে খেতি কৰা নাই তাৰ পৰা আমি কিবা ভাল ফল আশা কৰিব পাৰোনে? ১৯৩৬ চনৰ পৰাই আমি মানুহৰ মুখত সমাজবাদৰ নাম শুনি আহিছো। সেই সময়ত জহৰলাল নেহেৰুৱে তাক ভাটৌ মুখৰ মাত বুলি কৈছিল যদিও আজি সমাজবাদ প্ৰত্যেক মানুহৰ মুখে মুখেই। এই সমাজবাদৰ নামত কৃষিৰ যি বৈপ্লৱিক পৰিবৰ্ত্তন কৰিব খুজিছে ইয়াৰ দ্বাৰা ধানটো বেবাবটেঙাটো মানেই কৰিব খুজিছেনে, ঔ টেঙাটো মান কৰিব খুজিছে? কৃষি পৰিচালনা কৰিবলৈ যি IAS অফিচাৰ আছে তেওঁলোকৰ দ্বাৰা কৃষিৰ উন্নতি হব বুলি মই নাভাবো। কাৰণ সেই অফিচাৰ বিলাকেহে মন্ত্ৰীক চলাই থাকে। তেওঁলোকৰ দ্বাৰা কৃষিৰ আচনি কৰি খেতিয়কক উদ্ধাৰ কৰিব নোৱাৰিব। আমেৰিকাত যেতিয়া চন্দ্ৰলৈ মানুহ গ'ল তেতিয়া আমাৰ ইয়াতো বিজ্ঞান সন্মত কৃষি প্ৰণালী আৰম্ভ কৰিছে

আজিৰ বিজ্ঞানৰ যুগত Apollo মহাকাশযাত্ৰী সকলে চন্দ্ৰত পদক্ষেপ পেলাই অহাৰ পিছত আমাৰ পুৰণি কালৰ কেকোৰ আৰু বুঢ়া গৰু এহালেৰে হাল বাই কৃষিৰ উৎপাদন ক্ষেত্ৰত যি হতাশাৰ সৃষ্টি হৈছে তাৰ দ্বাৰা এহাতে কৃষকসকলৰ অন্তৰত বিদ্ৰোহৰ অগণী জ্বলিছে। পঞ্চায়ত সমূহত দুই এটা ট্ৰেক্টৰ দিয়াৰ কথা উঠিছে। কিন্তু তাৰ দ্বাৰা একো কাম হোৱা নাই। আজিৰ যুগত অধিক শষ্য উৎপাদন কৰিবলৈ হলে সৰু সৰু power tille ৰ প্ৰয়োজন হৈ উঠিছে। কাৰণ এহাল গৰুৰ দাম কমেও এহেজাৰত ওচৰা ওচৰি আৰু তাৰোপৰি গৰুহাল জীয়াই থাকেনে নেথাকে সিও এক কথা। গতিকে আজিৰ খাদ্য সংকট পৰিস্থিতিত প্ৰত্যেকটো পৰিয়ালত নহলেও দুই তিনিটা পৰিয়ালৰ মাজত একোটা power tille থকাৰ প্ৰয়োজন হৈ পৰিছে। এই সম্পৰ্কে মই যোৱা Assembly ত প্ৰশ্নও কৰিছিলো। কিন্তু তাৰ উত্তৰ নাপালো যি নহওক আজিৰ যুগত যান্ত্ৰিক নাঙল উলিয়াই সৰ্ব্বসাধাৰণে পাব পৰা সুলভ মূল্যত দিবলৈ চৰকাৰে ব্যৱস্থা হাতত লৈ দেশৰ মঙ্গল সাধনৰ চিন্তা কৰিব লাগে।

আমি দেখিবলৈ পাইছো যে আমেৰিকা আৰু ৰাছিয়াৰ মানুহে শতকৰা কম সংখ্যকেই কৃষিৰ কাম কৰি স্বাবলম্বী হব পাৰিছে। কাৰণ তেওঁলোকে বৈজ্ঞানিক পদ্ধতিৰে ব্যক্তিগতভাৱে বা সমবায় ভাবে খেতিৰ ফাৰ্ম কৰিছে। ঠিক সেইদৰে আমাৰ ইয়াত কি পন্থা অৱলম্বন কৰিলে আমেৰিকা, চীনা, ৰাছিয়া বা জাপানৰ নিচিনা স্বাবলম্বী হব পাৰি সেইটো স্থিৰ ভাবে অনুশীলন কৰি কাৰ্য্যকৰী ব্যৱস্থা হাতত লাগিছিল কিন্তু সেই ক্ষেত্ৰত আমাৰ চৰকাৰে বিশেষ ব্যৱস্থা লব পৰা নাই। আমাৰ কৃষিৰ উন্নতিৰ হকে মই এই পৰামৰ্শ আগবঢ়াব খুজিছোঁ যে ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰে যিবিলাক সৰু সুৰা নৈ পাহাৰৰ পৰা ওলাইছে সেইবিলাক পাহাৰৰ গুৰিতে নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব লাগে।

(সময়ৰ সংকেত)

তেনেকুৱা নৈ হৈছে নগা পাহাৰৰ পৰা ওলোৱা কাকডোঙা ঘিলাধাৰী।

এই নৈ বিলাক নিয়ন্ত্ৰণ কৰিব পাৰিলে ভৈয়ামৰ বিস্তৰ একো একোটা অঞ্চল খেতিৰ উপযোগী কৰিব পৰা যায় কাৰণ এই ঠাইত Deep Tubewell দ্বাৰাই পানীৰ যোগান ধৰিব পৰা নাই। প্ৰাকৃতিক সম্পদ নদীৰ পানীৰ শতকৰা ৯৮ ভাগ নেয়ে নষ্ট হৈছে মত্ৰ শতকৰা দুভাগহে আমাৰ কামত লাগিছে।

(সময়ৰ সংকেত)

এই বিলাক ব্যৱস্থা যি ব্যৱস্থা আমাৰ ৰাজ্যতে কৰিব পৰা যায় সেই বিলাকলৈ লক্ষ্য নকৰি আমাৰ চৰকাৰে জাপানী পদ্ধতিৰ কাৰণে বলিয়ান হৈ পৰিছে।

(সময়ৰ সংকেত)

এই বিলাক কাৰ্য্য ব্যৱস্থাৰ কাৰণে যথেষ্ঠ Statistics ৰ প্ৰয়োজন আৰু সেই-বিলাক বৈজ্ঞানিক পদ্ধতিৰে গোতাই ললেহে এই পথত আগবাঢ়িব পৰা হব। কিন্তু আমাৰ চৰকাৰে এই বিলাক কৰিব পৰা নাই।

মই নিজে এজন খেতিয়ক আৰু খেতিয়কৰ প্ৰতিনিধি হিচাবে এই সদনত এই কথাই কব খোজো যে আমাৰ ৰাজ্যখনৰ সৰ্ব্বাঙ্গীন উন্নতি কৰিবলৈ হলেই কৃষিৰ উন্নতি অপৰিহাৰ্য্য।

বেঙ্ক ৰাষ্ট্ৰীয় কৰণৰ পৰৱৰ্ত্তি কাল ছোৱাত খেতিয়ক ৰাইজ সকলে সমূহীয়া উন্নয়ন কেন্দ্ৰৰ খণ্ড উন্নয়ন বিষয়াৰ ওচৰত ঋণৰ বাবে আবেদন কৰিছে কিন্তু তেওঁলোকে ঋণ পাবলৈ সমৰ্থ হোৱা নাই অকল সেয়ে নহয় যোৱা ২২ বছৰ কংগ্ৰেছী শাসন কালত কাগজে পত্ৰে ঋণ ব্যৱস্থা থকা স্বত্বেও ৰাইজে পোৱা নাই। এই ঋণৰ সুবিধাটো সময়মতে খেতিয়ক সকলে পাব লাগে নহলে কাল কাটোতেই খেতিৰ বতৰ পাৰ হৈ যায়।

তাৰ পাছত কৃষিজাত বস্তু নাৰ্য মূল্য যাতে খেতিয়ক সকলে পায় তাৰ ওপৰত চৰকাৰে দৃষ্টি ৰাখিব লাগে। কাৰণ তেজক পানী কৰি হাড়ভঙা খাটনি খাটি আমাৰ খেতিয়ক সকলে কৃষিজাত যি বস্তু উৎপাদন কৰে তাৰ উচিত মূল্য তেওঁলোকে নাপায়। মাননীয় সদস্য শ্ৰীনাৰায়ণ ভুঞাও কৈ গৈছে যে সেই ফালে খেতিয়ক সকলে ধানৰ মূল্য মোনে ২২ টকাৰ ঠাইত ১৪/১৫ টকাহে পাই এই

বিলাকৰ প্ৰতি চৰকাৰৰ বিশেষ দৃষ্টি নাই যেন লাগে। কাৰণ নিয়ন্ত্ৰণ ব্যৱস্থাত মূল্য বেছি কৰিব নোৱাৰিলেও মূল্য হ্ৰাস হব নেলাগে।

(সময়ৰ সংকেত)

অৱশেষত মই এই কথাই কব খুজিছো যেন এই সকলোবিলাক সুক্ষ্ম ভাবে চৰকাৰে দৃষ্টি দিয়ে আৰু তাৰ প্ৰতিকাৰৰ ব্যৱস্থা হাতত লয়।

*Shri Durgeswar Saikia—মাননীয় Chairman মহোদয় আমাৰ মাননীয় সদস্য শ্ৰীদুলাল বৰুৱাই যিটো Motion ডাঙি ধৰিছে সেইটোত বহুতো কথাই আলোচনা হৈছে আৰু আলোচনা, সমালোচনা দুটা বিভাগৰ বিষয়ক লৈ কৰা হৈছে। এই দুটা বিভাগৰ কথা শুনি মোৰ এটা গল্পৰ কথালৈ মনত পৰে। কিন্তু মাননীয় সদস্য সকলে গোটেই পৃথিবীৰ নাম উল্লেখ কৰিছে। যেনে—জাপান, জাৰ্ম্মেনী, ৰাছিয়া, আমেৰিকা, চীনা ইত্যাদি আটাইবোৰ দেশৰ কৃষিৰ বিষয়ে উৎপাদনৰ বিষয়ে বহুতো কথা আৰু বহুতো যুক্তি দিছে যদিও এইক্ষেত্ৰত আমেৰিকা সৰ্ব্বশ্ৰেষ্ঠ।

( Voices—নহয় ছোভিয়েট ৰাছিয়া )

ছোভিয়েট ৰাছিয়া নহয়, ছোভিয়েট ৰাছিয়া—বহুত তলত।

( হাঁহাকাৰ )

আমেৰিকাইহে সৰ্ব্বশ্ৰেষ্ঠ। তেওঁলোক কেৱল কৃষিতেই নহয় সকলো ক্ষেত্ৰতে আগবঢ়া। মাননীয় সদস্যসকলে মানে নে নেমানে নেজানো; কিন্তু আমেৰিকাক আজি অৰ্থনৈতিক ক্ষেত্ৰতেই হওক বা ৰাজনীতিতেই হওক পৃথিবীৰ সকলো দেশেই হেও মানিছে।

১৯৫০ চনক যেতিয়া আমাৰ অসমত ভয়ঙ্কৰ ভূমিকম্প হৈছিল, তেতিয়া বিশেষকৈ আমেৰিকাৰ পৰা আমাৰ অসমলৈ সুন্দৰ চাউল আহিছিল। সেই চাউল ইমান যে সুন্দৰ আছিল, ভাৰতৰ কোনো ৰাজ্যৰ চাউলেই তাৰ লগত তুলনা নাই।

( হাঁহাকাৰ )

*Speech not corrected

Shri Phani Bora—এইটো বৰ অন্যায় কথা যে আমেৰিকাৰ চাউলহে সুন্দৰ আনৰ চাউল সুন্দৰ নহয়।

Shri Durgeswar Saikia—পিচে এতিয়া মাননীয় সদস্যসকলে বুজা উচিত যে

( বিপুল হৰ্ষধ্বনি )

মই কি কব খুজিছো আপোনালোকে শুনকচোন। এই কংগ্ৰেছ চৰকাৰ যদি আৰু ২০ বছৰ থাকে তেতিয়া হলে আমেৰিকাৰ নিচিনা হব।

( হৰ্ষধ্বনি )

Shri Kamini Mohan Sarma—আৰু ২০ বছৰ থাকিলে শ্মশান হব।

Shri Durgeswar Saikia—যোৱা ২০ বছৰত মানুহৰ শিক্ষাৰ হাৰ কিমান বৃদ্ধি হল। আজি তিনি বছৰ আগতে খোৱা বস্তুৰ কিমান অভাৱ আছিল। আনকি চিলংতে কাড কৰিব লগা হৈছিল চাউলৰ কাৰণে। এতিয়া বঙ্গ আৰু কেৰেলালৈ চাউল পঠিয়াইছে।

( হৰ্ষধ্বনি )

Shri Kamini Mohan Sarma—খেতিয়ক সকলে যেতিয়া হাৰ ভাঙি খেতি কৰিবলৈ ললে তেতিয়াহে খাদ্য অভাৱ গুচিল।

( হৰ্ষধ্বনি )

Shri Dugreswar Saikia—আপোনালোকে মোৰ কথা শুনকচোন—আপোনালোকে কথা কলে দেখোন আমি ছাত্ৰৰ দৰে শুনি থাকো।

Shri Kamini Mohan Sarma—অসমৰ কথা কওক আমেৰিকাৰ কথা নহয়।

Shri Dugreswar Saikia—মই অসমৰেই কথা কৈছো আৰু ২০ বছৰ সময় দিলে আমেৰিকাৰ নিচিনা হবগৈ। আমাৰ চৰকাৰে কাম কৰিব পৰা নাই বুলি কয়—আমি কিয় ৰাছিয়া কেতিয়া জাৰৰ পৰা কেতিয়া মুক্ত হল।

Shri Kamini Mohan Sarma—ৰাছিয়াই বিপ্লব কৰি ১৯১৭ চনৰ ৭ নবেম্বৰত মুক্ত হৈছে।

Shri Dugreswar Saikia—আমাৰ পশুপালন বিভাগে এনেকুৱা ডাঙৰ হাঁহ কণী উলিয়াইছে এটা কণী এটা মানুহে খোৱাই টান। টকাত ৪টা কৈ পায় এটা কণী বোধকৰো মাননীয় সদস্য তিলক গগৈহে খাব পাৰিব। কোনো কোনো সদস্যই কৈছে যে বেদখল হোৱা কাৰণে খাবলৈ নাইকীয়া হৈছে। মোৰ গাওঁত ১৮১ ঘৰ মানুহে তাত cheap grain shop আছিল। (কৃষিৰ কথা কওক) এইয়া কৃষিৰ কথাই কৈছো। আজি মোৰ গাওঁত cheap grain shop নাই কাৰণ বেদখলকাৰী নাই। এতিয়া control নাইকীয়া হৈ গৈছে। তাৰ পৰিবৰ্ত্তে পথাৰত Deep tubewell হৈছে বিজুলীৰে পানী যোগান হৈছে কাৰণ মানুহ বিলাকে আজি inspiration পাইছে। কৃষিৰ ক্ষেত্ৰত চৰকাৰে যিমান খিনি আগবঢ়াব লাগিছিল সিমানখিনিয়েই কৰিছে। কৃষিৰ ক্ষেত্ৰত একো কৰা নাই বুলি কলে ৰাইজে সমৰ্থন নকৰিব। এইখিনিকে কৈ সামৰণি মাৰিলো।

Shri Kabir Chandra Ray Prodhani—মাননীয় চেয়াৰমেন, চাৰ, কৃষিৰ উৎপাদন বঢ়াবৰ কাৰণে ৰাইজক যথেষ্ট দিহা পৰামৰ্শ আগবঢ়াইছিল। এতিয়া হোজা ৰাইজে যথেষ্ট খেতিৰ উৎপাদন বঢ়ালে হয় কিন্তু বজাৰত ধানৰ দাম ১০ টকালৈ নামিলে। জীৱনৰ মানদণ্ড বঢ়াবলৈ যথেষ্ট উৎপাদন বঢ়ালে কিন্তু ফচলৰ মূল্য হ্ৰাস পালে। মানুহে চিঙা ফটা কাপোৰ পিন্ধিব লগা হৈছে। গতিকে এতিয়া কৃষিৰ বিষয়টো গভীৰ ভাৱে চিন্তা কৰিব লগা হৈছে। কাৰণ এই বিভাগৰ ওপৰত শতকৰা ৮০ ভাগ মানুহে নিৰ্ভৰ কৰে। যদি এই বিভাগে প্ৰকৃত পৰামৰ্শ হোজা ৰাইজক দিব নোৱাৰে তেন্তে দেশৰ উন্নতি হব নোৱাৰে। কাৰণ হোজা মানুহ বিলাকে হাল বোৱাৰ বাহিৰে আন কথা একো নাজানে যেনেকৈ বিজ্ঞানৰ Research কৰা মানুহ বিলাকে পৃথিবীৰ আন কথা একো কব নোৱাৰে। গতিকে হোজা ৰাইজক যি যোগ্য সন্মান দিব লাগিছিল সেই সন্মান দিয়া হোৱা নাই। সাধাৰণ মানুহৰ ধাৰণা বামুণ, গোস্বামী আদিয়ে হালবোৱাৰ কথা একোকেই ভাবিবই নোৱাৰে। গতিকে কৃষি বিভাগৰ উন্নতি কেনেকৈ হব? হোজা ৰাইজে গছৰ গুৰিত পানী দিয়াৰ বাহিৰে সেউজীয়া বিপ্লৱ আদিৰ কথা কবই নোৱাৰে। গতিকে কৃষকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিবলৈ হলে জনসাধাৰণৰ মাজত সেউজীয়া বিপ্লৱৰ সৃষ্টি কৰিব লাগিব। যিবিলাক ট্ৰেক্টৰ আদি দিয়া হয় সেই বিলাকে গাৱলীয়া ৰাইজে নাপায়। আঞ্চলিক পঞ্চায়তৰ প্ৰেচিডেন্টে সেই বিলাকেৰে মাটি চহায়।

Mr. Chairman : Order, Order. It is already 5 O'clock. The House stands adjourned till 9 A.M. tomorrow. The debate on this motion will be carried over to the next session and Mr. Pradhani will continue.

## Adjournment

The Assembly then adjourned till 9 A.M. on Friday, the 23th January 1970.

Shillong,
The 22nd January, 1970.

U. Tahbildar,
Secretary,
Legislative Assembly, Assam